Content includes AI-generated material


www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SATURDAY, MARCH 01, 2025 ■ শনিবাৰ, ১৬ ফাগুন, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৬৪ Guwahati, Assam ।। মূল্যঃ এটকা

সাংবাদিকক প্ৰাণে মৰাৰ ভাবুকি!



বিতং বাতৰি শেষ পৃষ্ঠাত

## ২৮ বছৰৰ পিছত নিফটি-ছেনছেক্সৰ পতন, টকাতো বিৰাট অঘটন

# বিধ্বস্ত শ্বেয়াৰ বজাৰ, বিনিয়োগকাৰীৰ হাহাকাৰ

■ ১৪০০ পইণ্ট পৰ্যন্ত অৱনমিত ছেনছেক্স ■ নিফটি নামিল ৪০০ পইণ্ট ■ আকৌ ৰক্তাক্ত হ'ল দালাল ষ্ট্ৰীট

নতুন দিল্লী, ২৮ ফেব্ৰুৱাৰীঃ অকল্পনীয় অৰ্থনৈতিক বিপৰ্যয়ৰ সন্মুখীন হৈছে ভাৰতীয় শ্বেয়াৰ বজাৰ। নিফটি-ছেনচেক্সৰ পতনৰ ফলত মূৰে-কপালে হাত শেষাংশ ২ পৃষ্ঠাত

## বেনাৰ থকা ঠাইত জংঘল! 'সংগোপনে টুইন টাৱাৰৰ চলি আছে অদৃশ্য নিৰ্মাণ'



ই-সংবাদ বিশেষ, ২৮ ফেব্ৰুৱাৰীঃ বিজেপিয়ে প্ৰথমবাৰ অসমত চৰকাৰ গঠন কৰিয়েই ৰাজ্যৰ ৰাজধানী গুৱাহাটীত টুইন ২ পৃষ্ঠাত চাওক



প্ৰদৰ্শনী পৰিদৰ্শন মুখ্যমন্ত্ৰীৰ, খানাপাৰাত

এডভাণ্টেজ আছাম ৩.০

## ২০২৭ চনত আমেৰিকাত হ'ব বিশেষ ৰোডশ্ব'

ই-সংবাদ, ২৮ ফেব্ৰুৱাৰীঃ এডভাণ্টেজ আছাম ২.০ বিনিয়োগ সন্মিলনৰ সামৰণি পৰাৰ দুদিন পিছত আজি আনুষ্ঠানিক শেষাংশ ৩ পৃষ্ঠাত

## বিহুৰ বিশ্ব ৰেকৰ্ডৰ নামত লুণ্ঠন, ১৭ লাখ টকা খৰচ কৰি ভাৰা লৈছিল ছোফা ৬খন

ই-সংবাদ, ২৮ ফেব্ৰুৱাৰীঃ বিহুৰ বিশ্ব ৰেকৰ্ড গঢ়াৰ নামত ৰাজ্য চৰকাৰৰ লোকনিৰ্মাণ বিভাগত সংঘটিত হৈছিল বিয়াগোম দুৰ্নীতি। শেষাংশ ৩ পৃষ্ঠাত



## বিজ্ঞান শিক্ষকে পালে ভাল খবৰ

ই-সংবাদ, ২৮ ফেব্ৰুৱাৰীঃ গুৱাহাটী উচ্চ ন্যায়ালয়ে হাইস্কুলৰ প্ৰধান শিক্ষক পদৰ নিযুক্তি শেষাংশ ২ পৃষ্ঠাত

## আৰম্ভ বাদুলি খোৰোং মেলা

ই-সংবাদ, পুৰণিগুদাম, ২৮ ফেব্ৰুৱাৰীঃ আজিৰে পৰা চাৰিদিনীয়া শেষাংশ ৪ পৃষ্ঠাত

মুখ্যমন্ত্ৰী হিমন্ত বিশ্বৰ দাবী

## বহুদিন জেলত থাকিব মহবুবুল হক



ই-সংবাদ, ২৮ ফেব্ৰুৱাৰীঃ ২৭ ফেব্ৰুৱাৰীৰ নিশা বৰাক উপত্যকাৰ শ্ৰীভূমি জিলাৰ শ্ৰীভূমি আৰক্ষী থানাৰ এটা দলে ইউএছ টিএমৰ শেষাংশ ৪ পৃষ্ঠাত

## 'লিলি'ত নহয়, এইবাৰ 'আতিথ্য'ত বহিব বিৰোধী

ডঃ গোহাঁইৰ পুনৰ চেষ্টা!

ই-সংবাদ বিশেষ, ২৮ ফেব্ৰুৱাৰীঃ বিধানসভাৰ উপ-নিৰ্বাচনত বিহালী সমষ্টিক কেন্দ্ৰ কৰি বিভাজিত হোৱা বিৰোধী ঐক্যৰ মঞ্চ অসম সন্মিলিত মৰ্চা চমুকৈ শেষাংশ ৬ পৃষ্ঠাত

এডভাণ্টেজক আদৰণি

## থলুৱাই পাব লাগিব সংস্থাপন, ক'লে আছুৰে

ই-সংবাদ, ২৮ ফেব্ৰুৱাৰীঃ অসমৰ অৰ্থনৈতিক উন্নয়নৰ প্ৰতি লক্ষ্য ৰাখি এডভাণ্টেজ আছাম ২.০ শেষাংশ ৫ পৃষ্ঠাত




'দেৱদূতৰ সান্নিধ্য' শীৰ্ষক গ্ৰন্থ উন্মোচন ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ

## সাম্প্ৰদায়িক শক্তিক পৰাভূত কৰাৰ সংকল্প

উৎসাহী ভূপেন বৰা

ই-সংবাদ, তিতাবৰ, ২৮ ফেব্ৰুৱাৰীঃ দিল্লীৰ পৰা উভতি আহিয়েই শেষাংশ ৬ পৃষ্ঠাত

## বিদেশত মোদীক আদৰণিৰ নামত চলে নাটক!

নতুন দিল্লী, ২৮ ফেব্ৰুৱাৰীঃ ৰাজহুৱা টকাৰে বিলাস ভ্ৰমণ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ। ২০২৪ চনত প্ৰধানমন্ত্ৰীয়ে কৰা বিদেশ ভ্ৰমণৰ খৰচ শেহতীয়াকৈ ৰাজহুৱা হৈ পৰিছে এক আৰ টি আই উত্তৰত। আৰ টি আই কৰ্মী কমোডৰ লোকেশ বাত্ৰাই দাখিল কৰা আৰ টি আই উত্তৰত স্পষ্ট হৈ পৰিছে যে কেৱল ২০২৪

আৰটিআইৰ তথ্যত প্ৰকাশ পালে আঁৰৰ অনেক কথা

বৰ্ষতেই কোটি কোটি টকা খৰচ কৰি প্ৰধানমন্ত্ৰীয়ে ভ্ৰমণ কৰিছিল ইখনৰ পাছত সিখন দেশ। তদুপৰি প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণৰ সময়ত তেওঁক শেষাংশ ৬ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিধ্বস্ত শ্বেয়াৰ বজাৰ, বিনিয়োগকাৰীৰ

দিবলগীয়া হৈছে বিনিয়োগকাৰীয়ে। মাত্ৰ এদিনতে বিনিয়োগকাৰীয়ে হেৰুৱালে ৮.৯৫ লাখ কোটি টকা। কেৱল দালাল ষ্ট্ৰীটতেই নহয়, আন্তঃৰাষ্ট্ৰীয় বজাৰতো হোৱাহোৰে কমিছে ভাৰতীয় টকাৰ মূল্য। বিগত বৰ্ষৰ ছেপ্টেম্বৰ মাহৰ পৰাই ভাৰতীয় শ্বেয়াৰ বজাৰত ধাৰাবাহিক পতন দেখিবলৈ পোৱা গৈছে। কিন্তু বিগত কেইটামান দিনত শ্বেয়াৰ বজাৰে যি পতনমুখী যাত্ৰা লৈছে ইয়ে প্ৰদান কৰিছে ভাৰতীয় অৰ্থনীতিৰ ভৱিষ্যতৰ প্ৰতি এক অশনি সংকেত। সপ্তাহৰ শেষৰটো বজাৰ দিনত ছেনচেক্স ১৪১৪ পইণ্ট পতন হোৱাৰ সমান্তৰালকৈ নিফটি ৪২০ পইণ্টৰ পতন হোৱা দেখিবলৈ পোৱা গ'ল। শুকুৰবাৰে ছেনচেক্স ৭৩,১৯৮ ত আৰু নিফটি ২২,১২৪ ত বন্ধ হয়। একেদৰে, বিএছই স্মল কেপ ১,০২৮ পইণ্ট হ্ৰাস পাই ৪৩,০৮২ পইণ্টত বন্ধ হয়। মিড কেপো ৮৫৩ পইণ্ট হ্ৰাস পাই ৩৮,৫৯২ পইণ্টত বন্ধ হয়। ছেনচেক্সৰ ৩০ টা ষ্টকৰ ভিতৰত মাত্ৰ এটা ষ্টকহে বৃদ্ধি পোৱা দেখা গ'ল। সমান্তৰালকৈ নিফটিৰ ৫০ টা ষ্টকৰ ভিতৰত ৪৫টা ষ্টকেই হ্ৰাস পাইছে আৰু মাত্ৰ ৫ টাৰহে বৃদ্ধি পাইছে। এন এছ ইৰ সকলো খণ্ডৰ সূচকাংক শুকুৰবাৰৰ দিনটোত হ্ৰাস পালে। সৰ্বাধিক লোকচানৰ সন্মুখীন হৈছে নিফটি আই টি। এই খণ্ডত ৪.১৮ শতাংশ হ্ৰাস পাইছে। অটোমোবাইল খণ্ডত ৩.৯২ শতাংশ, মিডিয়া খণ্ডত ৩.৪৮ শতাংশ, ৰাজহুৱা খণ্ডৰ বেংকত ২.৮৩ শতাংশ হ্ৰাস পাইছে। ইয়াৰ উপৰিও ফাৰ্মা, বেংকিং, এফএমচিজি আৰু বিত্তীয় সেৱাতো ২% পৰ্যন্ত হ্ৰাস দেখা পোৱা গৈছে। ভাৰতীয় শ্বেয়াৰ মাৰ্কেটৰ সমান্তৰালকৈ এচিয়া মহাদেশৰ অন্য শ্বেয়াৰ মাৰ্কেটৰো একেই গতি দেখা গৈছে। ইয়াৰ আঁৰত আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পৰ এটা ঘোষণা বুলি ঠাৱৰ কৰা হৈছে। বৃহস্পতিবাৰে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে নিশ্চিতি প্ৰদান কৰিছিল যে কানাডা আৰু মেক্সিকোৰ ওপৰত ২৫% শুল্ক ৪ মাৰ্চৰ পৰা কাৰ্যকৰী হ'ব। ইয়াৰ উপৰি ইতিমধ্যে আৰোপ কৰা ১০% শুল্কৰ ওপৰত ৪ মাৰ্চৰ পৰা চীনৰ ওপৰত অতিৰিক্ত ১০% শুল্ক আৰোপ কৰা হ'ব। ইয়াৰ ফলত আমেৰিকা আৰু এছিয়াৰ বজাৰসমূহত ভীষণ চাপ বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। আনফালে, ২৭ ফেব্ৰুৱাৰীত বিদেশী বিনিয়োগকাৰীয়ে (এফ আই আই) ৫৫৬.৫৬ কোটি টকাৰ শ্বেয়াৰ বিক্ৰী কৰিছিল। ২০২৫ চনত বিদেশী বিনিয়োগকাৰীয়ে ১ লাখ কোটিৰো অধিক মূল্যৰ ভাৰতীয় শ্বেয়াৰ বিক্ৰী কৰিছে। ইফালে এই সময়ছোৱাত মিউচুৱেল ফাণ্ডকে ধৰি ঘৰুৱা প্ৰতিষ্ঠানিক বিনিয়োগকাৰীয়ে (ডি আই আই) মাত্ৰ ৮৩ হাজাৰ কোটি টকাৰ শ্বেয়াৰ ক্ৰয় কৰিবলৈ সক্ষম হয়। ক্ৰয়-বিক্ৰয়ৰ সমতা ৰক্ষা হে নথকাৰ বাবে ভাৰতীয় শ্বেয়াৰ মাৰ্কেটত দেখা গৈছে ধাৰাবাহিক পতন। এই পতনৰ ফলতেই শুকুৰবাৰে নিফটিৰ নিম্নগামী যাত্ৰাই ভংগ কৰে বিগত ২৮ বছৰৰ অভিলেখ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বেনাৰ থকা ঠাই জংঘল! সংগোপনে

টাৱাৰ নিৰ্মাণৰ বাবে প্ৰতিশ্ৰুতি দিছিল। ২০১৮ চনত সেই বাতৰিক লৈ ৰাজ্যত ব্যাপক চৰ্চা হৈছিল। আনকি গুৱাহাটীৰ গেম ভিলেজ এলেকাত এখন বেনাৰ লগাই টুইন টাৱাৰৰ আৰ্হি প্ৰকাশ কৰিছিল। বশিষ্ঠত দুটা গগনচুম্বি গম্বুজসহ এখন বেনাৰ লগোৱা দেখা গৈছিল। টুইন টাৱাৰ নিৰ্মাণ হোৱাতো দূৰৰ কথা আজিলৈ আধাৰশিলাই স্থাপন নহ'ল। সেই বেনাৰখন সময়ে সময়ে বিৰোধী দলে ব্যৱহাৰ কৰি বিজেপিক আক্ৰমণৰ লক্ষ্য কৰি লয়। সেই সময়ত বিজেপিয়ে টুইন টাৱাৰ নিৰ্মাণক লৈ ব্যাপক প্ৰচাৰ চলাইছিল। কিন্তু বিগত সাত বছৰ ধৰি টুইন টাৱাৰ নিৰ্মাণ হ'বলগীয়া ঠাইত শিল, বালি পৰা নাই। যাৰ বাবে বাৰে বাৰে বিৰোধীৰ আক্ৰমণৰ লক্ষ্য হৈ পৰে বিজেপি দল আৰু চৰকাৰ। বিৰোধীয়ে বাৰে বাৰে প্ৰশ্ন কৰে যে সৰ্বানন্দ সোণোৱাল মুখ্যমন্ত্ৰী হৈ থকাকালত ঘোষিত টুইন টাৱাৰৰ কেতিয়া নিৰ্মাণ কৰা হ'ব। বিজেপিয়ে টুইন টাৱাৰৰ প্ৰশ্নক লৈ আঁতৰি ফুৰা পৰিলক্ষিত হয়। কিন্তু শেহতীয়াকৈ ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত অনুষ্ঠিত হৈ যোৱা এডাভান্টেজ আছামত দেশৰ কেবাগৰাকী উদ্যোগপতিয়ে অসমতবিনিয়োগৰ ঘোষণাৰ পিছতে পুনৰ চৰ্চালৈ আহিছে টুইন টাৱাৰৰ প্ৰসংগ। গুৱাহাটীত কেতিয়া টুইন টাৱাৰ নিৰ্মাণ হ'ব তাক লৈ আজি সাংবাদিকক মুখ্যমন্ত্ৰীয়ে হিমন্ত বিশ্ব শৰ্মাক প্ৰশ্ন কৰিছিল। মুখ্যমন্ত্ৰীয়ে আজি স্পষ্ট কৰিলে যে অসমত টুইন টাৱাৰৰ নিৰ্মাণ হৈ আছে। ৬০ শতাংশ কাম সম্পূৰ্ণ হৈছে। আজি এডভান্টেজ আছাম ২.০ ক লৈ আয়োজন কৰা সংবাদমেলত এই কথা উল্লেখ কৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে ৮০০ কোটি টকাৰে টুইন টাৱাৰ হৈ আছে। মুখ্যমন্ত্ৰীয়ে টুইন টাৱাৰৰ প্ৰশ্ন কৰাত ক্ষুন্ন হৈ কয় যে টুইন টাৱাৰ চাবলৈ কেইজন সাংবাদিক গৈছে। ৬০ শতাংশ কাম সম্পূৰ্ণ হোৱা প্ৰকল্পটো কোনেও চাব যোৱা নাই। বিধানসভাত কোনেও এই বিষয়ে এটা কথাও সোধা নাই। সকলোৱে ধৰি লৈছে যে টুইন টাৱাৰ অসমত নহ'বই বা নহ'লেই। মুখ্যমন্ত্ৰীৰ মতে, ইন্টেগ্ৰেটেড ডিৰেক্টৰেট কমপ্লেক্স যিটো হৈ আছে, সেইটোৱেই টুইন টাৱাৰ। উল্লেখ্য যে টুইন টাৱাৰৰ আৰ্হিতেই এই সংহত সচিবালয় চৌহদ নিৰ্মাণ কৰি থকা হৈছে। ২০১৯ চনত বিধানসভাত কংগ্ৰেছৰ বিধায়ক জাকিৰ হুছেইন সিকদাৰে উদ্যোগ-বাণিজ্য বিভাগক ইয়াকে লৈ এটা প্ৰশ্ন কৰিছিল। তেতিয়াৰ উদ্যোগ-বাণিজ্য মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে উত্তৰ দিছিল। পাটোৱাৰীয়ে কয় যে টুইন টাৱাৰ নিৰ্মাণৰ বাবে ২,১৪৯ কোটি টকা ব্যয় হ'ব। ৰাষ্ট্ৰীয় ভৱন নিৰ্মাণ নিগমৰ যোগেৰে ছেলফ ফাইনেন্সিয়েল মডেলত কৰা হ'ব। অসম চৰকাৰে প্ৰকল্পটোক কেৱল মাটিহে যোগান ধৰিব। চৰকাৰে ৩২ বিঘা ভূমি হস্তান্তৰ কৰিছে। তেতিয়া কংগ্ৰেছে বিজেপি চৰকাৰক প্ৰশ্ন কৰি কৈছিল যে টুইন টাৱাৰৰ নিৰ্মাণ ঘোষণাৰে বিজেপি চৰকাৰে এক চমক দিছিল। কিন্তু কাম-কাজ এতিয়ালৈ আগবঢ়া নাই। চৰকাৰে হস্তান্তৰ কৰা মাটিত 'ছাইট ফৰ টুইন টাৱাৰ' বুলি এখন ছাইনবৰ্ড লগাইছিল। আজিলৈকে চৰকাৰে আধাৰশিলাই স্থাপন কৰিব পৰা নাই। অসমৰ প্ৰথমবাৰ এডভান্টেজ আছাম ২০১৮ চনৰ ২৮ জানুৱাৰীত অনুষ্ঠিত হৈছিল। ২৮ জানুৱাৰীত দেশৰ কেবাগৰাকী উদ্যোগপতি আহিছিল। সোণোৱাল চৰকাৰে গুৱাহাটীত ৬৫ মহলীয়া টুইন টাৱাৰ নিৰ্মাণৰ কথা ঘোষণা কৰিছিল। সেই বছৰৰ ২ ফেব্ৰুৱাৰীত ৰাজ্য চৰকাৰ, বাণিজ্য বিভাগ আৰু ৰাষ্ট্ৰীয় ভৱন নিৰ্মাণ নিগমৰ মাজত বুজাবুজিৰ চুক্তি স্বাক্ষৰ হৈছিল। সোণোৱাল চৰকাৰে পাঁচ বছৰৰ ভিতৰত নিৰ্মাণ শেষ কৰাৰ কথা কৈছিল। ইপিনে সেই সময়ত এনবিচিচিৰ উপ-সঞ্চালক বিজিত ভট্টাচাৰ্যই কৈছিল যে ট্ৰেড চেণ্টাৰৰ নিৰ্মাণৰ কাম আৰম্ভ হ'ব। কিন্তু আজি ৭ বছৰে সেই এলেকা হাবি-জংঘলেৰে আৱৰি ধৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিজ্ঞান শিক্ষকে পালে ভাল খবৰ

প্ৰক্ৰিয়াক লৈ প্ৰদান কৰিছে এক গুৰুত্বপূৰ্ণ ৰায়। এই ৰায়ে হাইস্কুলত কৰ্মৰত দুহাজাৰতকৈও অধিক বিজ্ঞানৰ স্নাতক শিক্ষকসকলৰ বাবে কঢ়িয়াই আনিছে আশাৰ বতৰা। উল্লেখ্য যে পূৰ্বতে উচ্চ প্ৰাথমিক বিদ্যালয়ত কৰ্মৰত বিজ্ঞান স্নাতক শিক্ষকসকল বিদ্যালয় একত্ৰিকৰণৰ পাছত হাইস্কুললৈ স্থানান্তৰিত হৈছিল যদিও তেওঁলোকৰ জ্যেষ্ঠতা আৰু পূৰ্বৰ অভিজ্ঞতাক প্ৰধান শিক্ষক পদৰ বাবে গ্ৰহণ কৰা হোৱা নাছিল। এই অসুবিধা সমাধানৰ বাবে একাংশ শিক্ষক ন্যায়ালয়ৰ দ্বাৰস্থ হৈছিল। ন্যায়ালয়ে ৰাজ্য চৰকাৰক প্ৰধান শিক্ষক পদৰ সেৱা বিধি সলনি কৰিবলৈ নিৰ্দেশ দিয়াৰ লগতে ২০২৩ চনৰ পৰা স্থগিত হৈ থকা নিযুক্তি প্ৰক্ৰিয়া পুনৰাম্ভ কৰাৰো আদেশ দিয়ে। একেটা ৰায়ৰ জৰিয়তে ন্যায়ালয়ে পূৰ্বৰ স্থগিতাদেশ প্ৰত্যাহাৰ কৰি বৰ্তমানৰ পৰা নিযুক্তি প্ৰক্ৰিয়া সুগম ৰিছে। ন্যায়ালয়ৰ এই সিদ্ধান্তক আদৰণি জনাইছে ক্ষক সমাজে। এতিয়া ৰাজ্য চৰকাৰে শোধিত সেৱা বিধি জাৰি কৰি প্ৰধান শিক্ষক নিযুক্তিৰ প্ৰক্ৰিয়া তড়িৎ গতিত আগবঢ়াব বুলি আশা কৰা হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিহুৰ বিশ্ব ৰেকৰ্ডৰ নামত

আজি ৰাইজৰ দলে এখন সংবাদমেল যোগে বিহুৰ বিশ্ব ৰেকৰ্ডৰ নামত দুৰ্নীতি সংঘটিত হোৱাৰ অভিযোগ উত্থাপন কৰিছে। অসমৰ ৰাইজৰ কৰ-কাটলৰ ধন ৰাজকোষৰ পৰা ইভেন্ট যোগে খৰচ কৰাৰ গুৰুতৰ অভিযোগ আনে ৰাইজৰ দলে। ৰাইজৰ দলৰ নেতা ৰাছেল হুছেইনে আজি সংবাদমেল যোগে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু ৰিণিকী ভূঞা শৰ্মাৰ ঘনিষ্ঠ কীকী বাহিনীয়ে ৰাজ্য চৰকাৰৰ ইভেন্টসমূহৰ দ্বাৰা কোটি কোটি টকা লুটিছে বুলি অভিযোগ আনে। দলটোৰ অভিযোগ মতে, ২০২৩ চনৰ ১৪ এপ্ৰিলত গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত অনুষ্ঠিত কৰা বিহুৰ বিশ্ব ৰেকৰ্ডৰ অনুষ্ঠানৰ ইভেন্টৰ নামত প্ৰায় ১৩ কোটি টকা লুণ্ঠন কৰিছিল। সৰুসজাইৰ বিহুৰ বিশ্ব ৰেকৰ্ডৰ অনুষ্ঠান অনুষ্ঠিত হৈ যোৱাৰ ৫ মাহ ১৭ দিন পিছত ইভেন্ট মেনেজমেণ্টৰ নামত নিবিদা আহ্বান কৰা হৈছিল। মঞ্চ, আসন আদিৰ বাবে ৰাজ্য চৰকাৰে নিবিদাৰ আবেদন কৰিছিল। এই নিবিদাত আছিল ১৫ টা ক্ষেত্ৰত। বহা আসন, মঞ্চ-ৰভা আদিৰ। কিন্তু নিবিদাত মাথোঁ এটা কোম্পানীয়ে অংশ লৈছিল। ১৫ টা নিবিদাৰ বিপৰীতে একেই কোম্পানীয়ে কাম পাইছিল। সকলো কাম একেটা পৰিয়ালৰ তিনিজন ব্যক্তিৰ অনুষ্ঠানক দিয়া হৈছে। সকলো নিয়ম-নীতি ভূলুণ্ঠিত কৰি কমলজিৎ সিঙৰ কেপিটেল অভাৰলেজ, ভূপেন্দ্ৰৰ পাল সিঙৰ এচিএমই ইভেণ্ট, গুলজাৰ সিঙৰ হোৱাইট দৌৰ ইভেণ্টে সকলো কাম পাইছে। এই তিনিটা কোম্পানীৰ ঠিকনা এটাই। পল্টনবজাৰৰ গোপানীথ নগৰ। কাম আছিল ইন্দিৰা গান্ধী ক্ৰীড়া প্ৰকল্প অস্থায়ী পেণ্ডেল, মঞ্চ আদি। কিন্তু অনুষ্ঠান অনুষ্ঠিত হৈ যোৱাৰ ৫ মাহ পিছত বেকডেটত নিবিদাৰ আহ্বান কৰি কীকী বাহিনীয়ে ১২.৬৮ লাখ টকা উলিয়াই নিয়ে। কীকী ভাতৃ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু পত্নী ৰিণিকী ভূঞা শৰ্মাৰ একেবাৰে ঘনিষ্ঠ। কীকী ভাতৃয়ে কোভিদৰ নামত খাদ্য বিতৰণৰ নামতো কোটি কোটি টকা লুণ্ঠন কৰাৰ অভিযোগ আছে। কোভিদৰ অস্থায়ী চেণ্টাৰ নিৰ্মাণ কৰিছিল কী কী ভাতৃয়ে। কোভিদৰ সময়ত কোটি কোটি টকা উলিয়াই নিছিল। সেই একেই কীকী গেঙৰ নেতৃত্বত বিহুৰ ৰেকৰ্ডৰ পেণ্ডেলৰ নামত কোটি কোটি টকাৰ দুৰ্নীতি সংঘটিত হৈছে। ঝুমুৰ নৃত্য, এডভান্টেজ আছামৰ সকলো অনুষ্ঠানৰ কামো কীকী বাহিনীক দিয়া হৈছে। এইটো এটা চিণ্ডিকেট। মুখ্যমন্ত্ৰীৰ নেতৃত্বত নেক্সাছ চলে। ৰাজকোষত মুকলি লুণ্ঠন চলি আছে। ২০২৩ চনৰ ১৪ এপ্ৰিলত বিহুৰ অনুষ্ঠান অনুষ্ঠিত হৈ গৈছিল যদিও নিবিদা আহ্বান কৰা হৈছিল ২০২৩ চনৰ ৩০ ছেপ্টেম্বৰত। এনেদৰেই ১২ কোটি ৬৮ লাখ টকা কীকী বাহিনীয়ে লুটিলে। তথ্য জনাৰ অধিকাৰ আইনৰ দ্বাৰা লাভ কৰা তথ্য অনুসৰি কী কী বাহিনীয়ে বিহুৰ গীনিজ ৰেকৰ্ডৰ অনুষ্ঠানত একোখন চোফা ৩ লাখ টকাত ভাড়া লৈছিল। ৬ খন চোফা ভাড়াত দি ১৭ লাখ টকা বিল লাভ কৰিছিল। ১১ হাজাৰ শিল্পীয়ে অংশ লোৱা বিহুৰ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অংশ লৈছিল। যাৰ বাবে সৰুসজাই ষ্টেডিয়ামত অস্থায়ী মঞ্চ, ভিভিআইপিৰ আসন, পেণ্ডেল নিৰ্মাণ কৰিছিল। আটাইবোৰ কামৰ ৱৰ্ক অৰ্ডাৰ লাভ কৰিছিল কীকী বাহিনীক। ১৫ নিবিদাৰ আহ্বানৰ ফলত কমলজিৎ সিঙৰ কেপিটেল অভাৰলেইজে ৮ টা কাম। অস্থায়ী পেণ্ডেল, কাঠৰ প্লেটফৰ্ম, গ্ৰাছ কাৰ্পেটিং, ভিউ কাটলাকৰ বাবে কেপিটেল অভাৰলেইজক ৯০,৫০,৬১৮ টকাৰ ঠিকা দিয়া হয়। ভিভিআইপি কোঠাৰ ফাৰ্নিচাৰ আৰু প্লাষ্টিক চেয়াৰ যোগানৰ বাবে কমলজিৎ সিঙক ২৪,৪৩,৯৭৪ টকাৰ ঠিকা প্ৰদান কৰা হয়। কমলজিৎ সিঙক ৬ যোৰ চোফাৰ ভাড়াৰ বাবাদ প্ৰদান কৰা হৈছিল ১৭,৯০,৬৯২ টকাৰ ঠিকা। একেদৰে ৫০০ খন প্লাষ্টিকৰ চেয়াৰৰ নামত ৯,৭৩,৭৯০ টকাৰ ঠিকা দিয়া হৈছে। একেটা প্ৰতিষ্ঠানক একেটা দিনত প্লাষ্টিক চেয়াৰৰ ৰং কৰিবলৈ প্ৰদান কৰা হৈছিল ৩৮,৭৪,৩০৯ টকাৰ ঠিকা। কমলজিৎ সিঙক ৪-১১, ১১-১৬ আৰু ১৬-২৩ নং গেলাৰীত ৰং দিয়াৰ বাবে ঠিকা দিয়া হয়। পৃথকে পৃথকে গেলেৰী ৰং কৰাৰ বাবদ ৭০,২৩,৩৬৭ টকা, ৭৪,৪৫,১০০ টকা, ফ্ল'ৰ পেইণ্টিঙৰ বাবদ ৮৩,১৯,২২৩ টকা, দক্ষিণৰ পৰা পশ্চিমলৈ গেলেৰীৰ বাহিৰ ৰং দিয়াৰ নামত ৭৫,৭৯,১৭৪ টকা আৰু উত্তৰৰ পৰা পূবলৈ গেলেৰীৰ বাহিৰত ৰং দিয়াৰ নামত ৭৫,৭৯,১৭৪ টকাৰ ঠিকা প্ৰদান কৰা হয়। ভূপিন্দৰ সিং পালৰ এচিএম ই এভেণ্টছ এণ্ড এক্সপ'ৰে ৬টা কাম লাভ কৰিছিল। ভূপিন্দৰ সিং পালে অস্থায়ী মঞ্চ, অস্থায়ী টয়লেট আৰু অতিথিৰ বহাৰ ব্যৱস্থা কৰাৰ নামত ৯৬,৯৯,০৮৩ টকাৰ, কাঠৰ ফ্ল'ৰিং, ৰেড কাৰ্পেট পৰাৰ নামত ৯৮,৪৭,১০৮ টকাৰ, দুটা ডাইনিং হল, দুটা পাকঘৰ নিৰ্মাণৰ নামত ৭৪,৮৭,৪৯৪ টকা, তিনিটা সুকীয়া ডাইনিং হলৰ নামত ৮৭,৬৭,৪০৬ টকাৰ আৰু সৰুসজাই ষ্টেডিয়ামৰ মেৰামতিৰ নামত ৭২,৯৮,৯২১ টকাৰ ঠিকা লাভ কৰে। ষ্টেডিয়াম মেৰামতিৰ নামত ২,৩৪,৪১,৮২৫ টকাৰ ঠিকাও ভূপিন্দৰ পাল সিঙে লাভ কৰে। কাঠৰ ফ্ল'ৰিঙৰ বাবে ৯৬,৬১,৯৯৫ টকা, ৰেড কাৰ্পেটৰ বাবে ২০,৪৫,৮৬২ টকাৰ ঠিকা লাভ কৰে ভূপিন্দৰ পাল সিঙে। গুলজাৰ সিঙৰ হোৱাইট ড'ৰ ইভেণ্টছে সৰুসজাই ষ্টেডিয়াম মেৰামতিৰ বাবদ ৭০,২০,৬৮০ টকাৰ ঠিকা লাভ কৰে। ২০২৩ চনৰ ১৪ এপ্ৰিলত অনুষ্ঠিত বিহুৰ অনুষ্ঠানৰ পেণ্ডেল, মঞ্চ, মেৰামতি, পেইণ্টিং আদিৰ ঠিকা ২০২৩ চনৰ ৩০ ছেপ্তেম্বৰত কীকী বাহিনীক প্ৰদান কৰে। ৫ মাহ ১৭ দিন পাছত ভূপিন্দৰ পাল সিঙক ৪,৩১,০০,০১২ টকাৰ, কমলজিৎ সিঙক ৭,৬৭,৫৬,৭৬৪ টকা আৰু গুলজাৰ সিঙক ৭০,২০,৮৬০ টকা ঠিকা দিয়া হয়। কীকী বাহিনীক ইভেণ্টৰ সকলো ঠিকা দিয়া হৈছে। ইডি, চিবিআই লগাই বিৰোধী নেতাক জেলত ভৰোৱা এইখন বিজেপি চৰকাৰে এতিয়া উক্ত কেলেংকাৰীৰ তদন্ত কৰিব নে নাই বুলিও প্ৰশ্ন উত্থাপন কৰে ৰাইজৰ দলে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ২০২৭ চনত আমেৰিকাত

ভাৱে সংবাদমেল সম্বোধন কৰি এডভান্টেজ আছামৰ বিনিয়োগক লৈ বিস্তৃত তথ্য ৰাজহুৱা কৰিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। আজি মুখ্যমন্ত্ৰীয়ে বিনিয়োগ সন্মিলনক সহায়-সহযোগৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক উচ্চ প্ৰশংসা কৰে। লগতে মুখ্যমন্ত্ৰীয়ে কয় যে অসমত ৫ লাখ কোটি টকাৰো অধিক বিনিয়োগৰ বুজাবুজিৰ চুক্তি স্বাক্ষৰ হৈছে। চুক্তিৰ দ্বাৰা ৫ বছৰত বিনিয়োগ আহিব। ৭০ শতাংশ চুক্তি ৰূপায়ণ কৰিব পাৰো তাৰ বাবে কাম কৰিম। মুঠ ৫,১৮,২৯৫ কোটি টকা বিনিয়োগৰ প্ৰতিশ্ৰুতি লাভ কৰিছে। অসমৰ ৬৪,৩০০০ টকাৰ জিডিপিৰ ৮০ শতাংশ। বিনিয়োগৰ ফলত দুই লাখ লোকে সংস্থাপন লাভ কৰিব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এতিয়াৰ পৰা প্ৰতি ৪ বছৰৰ মূৰে মূৰে এডভান্টেজ আছাম অনুষ্ঠিত কৰাৰ ঘোষণা কৰে। ২০২৭ চনত আমেৰিকাত ৰোড শ্ব' কৰা হ'ব। যেতিয়া এডভান্টেজ আছাম ৩.০ হ'ব তেতিয়া অসম ঔদ্যোগিক ৰাজ্য হৈ পৰিব। যাৰ দ্বাৰা অহা ৫ বছৰত অসমৰ জিডিপি দুগুণ হ'ব। অসম গ্ৰীন ইক'নমি হাব, গুৱাহাটীক মেডিকেল হাব কৰি হ'ব বুলি দাবী কৰে মুখ্যমন্ত্ৰীয়ে। আজি মুখ্যমন্ত্ৰীয়ে বিনিয়োগৰ হিচাপ উল্লেখ কৰি কয় যে নামৰূপত সাৰ কাৰখানাৰ বাবে প্ৰধানমন্ত্ৰীয়ে ১২ হাজাৰ কোটি টকা বিনিয়োগ ঘোষণা কৰিছে। সৰ্বানন্দ সোণোৱালে ৪,৮০০ কোটি টকা বিনিয়োগ ঘোষণা কৰিছে। ৰিলায়েন্সে চিবিজি প্লাণ্ট, ক্লিন এনাৰ্জীসহ ৫০ হাজাৰ কোটি টকা বিনিয়োগ ঘোষণা কৰিছে। ৰিলায়েন্সে মেগা ফুড পাৰ্ক নিৰ্মাণ, শুৱালকুছিৰ শিল্পত বিনিয়োগ কৰিব। টাটাই গুৱাহাটীত তাজ হোটেল, ইলেক্ট্ৰনিক কাৰখানাৰ লগতে টাটা পাৱাৰে ৩০ হাজাৰ কোটি টকা চুক্তি কৰিছে। সজ্জন জিন্দালে চিমেণ্ট আৰু তাপবিদ্যুৎ কেন্দ্ৰত বিনিয়োগ কৰিব। অইলে ২০ হাজাৰ কোটি টকা বিনিয়োগ কৰিব। অ'এনজিচিয়ে ১৫ হাজাৰ কোটি টকা বিনিয়োগ কৰিব। বেদান্ত গ্ৰুপে ৫০ হাজাৰ কোটি টকা বিনিয়োগ কৰিব। মুখ্যমন্ত্ৰী ডাঃ শৰ্মাই বিনিয়োগ সন্মিলিনত ১১০০ আন্তঃৰাষ্ট্ৰীয় প্ৰতিনিধিসহ দেশৰ ৮ হাজাৰ বিনিয়োগকাৰীয়ে অংশগ্ৰহণ কৰাৰ লগতে পূৰ্বে ২৪০খন বৈঠক, বিদেশত ১৮০ খন বৈঠক অনুষ্ঠিত কৰা বুলি কয়। মুখ্যমন্ত্ৰীয়ে আৰু কয় যে অসম চিমেণ্ট প্ৰস্তুতত দেশৰ ভিতৰত তৃতীয় ৰাজ্য হ'ব। ৪৫খন মানৱ সম্পদ বিকাশৰ স্বাক্ষৰ হয়। প্ৰথমবাৰৰ বাবে আন্তঃৰাষ্ট্ৰীয় বিনিয়োগ পাব অসমে। আইএএছ একাডেমিবোৰে এএ ক্লাছ লৈছে। যিটো গুজৰাটত ২০০৩ ত আৰম্ভ হৈছিল। এয়া ভাল খবৰ। আনহাতে বিদ্ৰোহী সমস্যাক লৈ মন্তব্য প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ১৫ আগষ্ট আহিছে। যদি সৰু বোমা এটা থৈ যায় তাক লৈ বাতৰি কৰিলে কি হ'ব বুলি চিন্তা ব্যক্ত কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আৰম্ভ বাদুলী খোৰোং মেলা

কাৰ্যসূচীৰে আৰম্ভ হৈছে নগাঁৱৰ কন্দলীৰ ঐতিহাসিক বাদুলী খোৰোং মেলা। আজি পুৱাৰ পৰাই কেইবাশতাধিক ভক্তৰ আগমন হোৱা পৰিলক্ষিত হৈছে বাদুলী খোৰোং মেলাস্থলীলৈ। সহস্ৰাধিক বিভিন্ন সামগ্ৰীৰ বিপণীৰে ভৰি পৰা মেলাস্থলীত পুৱা ৮ বজাত মূল পতাকা উত্তোলনেৰে কাৰ্যসূচী মুকলি কৰে মেলা উদযাপন সমিতিৰ সভাপতি তথা তিৱা স্বায়ত্ব পৰিষদৰ অধ্যক্ষ মদন বৰদলৈয়ে। পতাকা উত্তোলন কৰি তেওঁ ভাষণ প্ৰসংগত ঐতিহাসিক বিৱৰণ দাঙি ধৰি কয় যে প্ৰাকশংকৰী যুগত কন্দলী পাহাৰৰ দাঁতিৰ এই অঞ্চলত প্ৰমীলা নামৰ এগৰাকী নাৰীৰ ৰাজ্য আছিল। সেই ৰাজ্যত সকলো পুৰুষৰ প্ৰৱেশ নিষিদ্ধ আছিল। প্ৰবাদ অনুসৰি, এবাৰ এজন ঋষিয়ে কৌতূহল নিৰ্বাপিত কৰাৰ বাবে ছদ্মবেশেৰে প্ৰমিলা ৰাজ্যত প্ৰৱেশ কৰাত ৰাণীৰ গুপ্তচৰে ঋষিক বন্দী কৰি ৰাণীৰ দৰবাৰত হাজিৰ কৰাত ৰাণীয়ে শাস্তি স্বৰূপে ঋষিক দুই ভৰিত বান্ধি শিলত ওভোটাইওলমাই ৰাখিছিল। তেতিয়া ঋষিয়ে ৰাণী সহিতে সকলো নাৰীকে অভিশাপ দিয়ে যে পৰৱৰ্তী কালত সকলো বাদুলী হৈ শিলত ওলমি থাকিব লাগিব আৰু তেতিয়াৰ পৰাই এই নাৰীসকল বাদুলী হৈ ওলমি থাকে বুলি বিশ্বাস কৰা হয়। পূৰ্বতে গুহাৰ কাষত বাস কৰা ৰাইজে নিশা হ'লেই নাৰী কণ্ঠৰ কান্দোন শুনিবলৈ পায়। সেয়ে অঞ্চলবাসীয়ে পূজা-অৰ্চনা কৰি নাৰীসকলৰ মুক্তিৰ বাবে প্ৰাৰ্থনা কৰি আহিছে আৰু তেতিয়াৰ পৰাই শিৱৰাত্ৰিৰ পাছৰ দিনটোৰ পৰাই বাদুলী খোৰোং মেলা অনুষ্ঠিত কৰি অহাত অসমৰ বিভিন্ন প্ৰান্তৰ ভক্ত আহি পূজা-অৰ্চনা কৰে। অনুষ্ঠানৰ আঁত ধৰে মেলা উদযাপন সমিতিৰ সম্পাদক উজ্জ্বল বৰদলৈয়ে লগতে বাদুলী খোৰোং মেলা উদযাপন সমিতিৰ সদস্যৰ দ্বাৰা ২৫ খন পতাকা উত্তোলন কৰে।

বন্তি প্ৰজ্বলন কৰে উজ্জ্বল বৰদলৈয়ে। বাদুলী খোৰোঙৰ দ্বাৰ মুকলি কৰে কলিয়াবৰ জিলা বিজেপিৰ সভাপতি বাবুল বৰাই। উল্লেখ্য যে এইবাৰ ৰূপালী জয়ন্তী বৰ্ষ পালন কৰাৰ অৰ্থে সমিতিয়ে বিস্তৃত কাৰ্যসূচী হাতত লৈছে। ইফালে পুৱাতে সহস্ৰাধিক দুচকীয়া বাহন আৰু চাৰিচকীয়া বহন ৰাখিবলৈ ঠাইৰ নাটনি হোৱা পৰিলক্ষিত হয়। পৰৱৰ্তী তিনিটা দিনত ভক্তৰ সমাগম যথেষ্ট হ'ব বুলি পৰিচালনা সমিতিৰ সভাপতি নবীন গগৈয়ে আশা প্ৰকাশ কৰিছে। মেলাস্থলীত শান্তি-শৃংখলা বজাই ৰখাৰ বাবে শতাধিক স্বেচ্ছাসেৱকৰ লগতে চামগুৰি থানাৰ আৰক্ষী সষ্টম হৈ থকা পৰিলক্ষিত হৈছে। আজিৰ অনুষ্ঠানত উদযাপন সমিতিৰ উপ-সভাপতি গোলাপ বৰদলৈ, অৰ্জুন বসুমতাৰী, ৰূপম বৰদলৈ, ধনজিৎ পাটৰ, মাণিক মজুমদাৰ প্ৰমুখ্যে বহু লোক উপস্থিত থাকে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বহুদিন জেলত থাকিব মহবুবুল হক

আচাৰ্য মহবুবুল হকক গুৱাহাটীলৈ আনে। প্ৰথমে হকক অসম আৰক্ষীৰ মুখ্য কাৰ্যালয়লৈ নিয়া হয়। মুখ্যমন্ত্ৰী কাৰ্যালয়ৰ অতিথিশালাত অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমিৎ সিঙে জেৰা কৰে। তাৰ পিছতে দিছপুৰ আৰক্ষী থানালৈ আনে। দিছপুৰ আৰক্ষী থানাত সহ-আৰক্ষী আয়ুক্ত মৃণাল ডেকাৰ নেতৃত্বত এটা উচ্চপদস্থ বিষয়াৰ দলে মহবুবুল হকক জেৰা কৰে। দিছপুৰ আৰক্ষী থানাত জেৰা কৰি থকাৰ সময়তে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই তেওঁ বহুদিনলৈ জে'লত থাকিব লাগিব বুলি কয়। আনহাতে ইউএছটিএমৰ আচাৰ্য হকক ৰখাৰ খবৰ লাভ কৰি দিছপুৰ আৰক্ষী থানাত এবাৰ দেখা কৰিবলৈ প্ৰায় দুই শতাধিক লোকক সমৱেত হয়। ইউএছটিএমৰ অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰীসহ দুই শতাধিক লোকে এবাৰ ওচৰৰ পৰা লগ পাব খোজে যদিও আৰক্ষীয়ে অনুমতি নিদিয়ে। একাংশ লোক চুবুৰীয়া ৰাজ্য মেঘালয়ৰ পৰা আহিছিল। সেই সময়তে হকক ঘোঁৰামৰাৰ ঘৰলৈ নিবলৈ থানাৰ পৰা বাহিৰলৈ উলিয়াই অনাৰ সময়ত দিছপুৰ আৰক্ষী থানাত সমৱেত লোকসকলক গ্ৰেপ্তাৰৰ ধমক দিয়ে ডিচিপি মৃণাল ডেকাই। থানাৰ সন্মুখৰ পৰা আঁতৰি নগ'লে গ্ৰেপ্তাৰ কৰাৰ ধমক দিয়াত প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। একাংশ অধ্যাপক, ছাত্ৰই হকৰ গ্ৰেপ্তাৰ ৰাজনৈতিক কাৰণত হোৱা বুলি দাবী কৰে। দীৰ্ঘদিন ধৰি মুখ্যমন্ত্ৰীয়ে আক্ৰমণ কৰি অহাৰ পৰিপ্ৰেক্ষিতত ৰাজনৈতিক কাৰণত গ্ৰেপ্তাৰ হোৱা বুলি কয় অধ্যাপক-ছাত্ৰই। মহবুবুল হকক আবেলি ঘোঁৰামৰাৰ ঘৰলৈ নিয়া হয়। মহবুবুল হক, ঘৰৰ ছিকিউৰিটি আৰু পৰিয়ালৰ লোকৰ উপস্থিতিত আৰক্ষীয়ে অভিযান চলায় আৰু নথি-পত্ৰ পৰীক্ষা কৰা বুলি জানিব পৰা গৈছে। গুৱাহাটী আৰক্ষীৰ দলটোৱে ১০ খন গাড়ীৰে মহবুবুল হকৰ ঘৰলৈ গৈ তালাচী চলোৱাৰ সময়ত কিবা আপত্তিজনক নথি লাভ কৰিছে নে নাই সেই কথা জানিব পৰা হোৱা নাই। জানিব পৰা মতে, গুৱাহাটী উচ্চ ন্যায়ালয়ত মহবুবুল হকৰ জামিন আৱেদন কৰা হৈছে। এটা গোচৰত জামিনৰ শুনানিৰ অন্তত ন্যায়ালয়ে ৩ মাৰ্চলৈ ৰায় সংৰক্ষিত কৰিছে। জামিনক লৈ উচ্চ ন্যায়ালয়ত দ্বিতীয় আন এটা গোচৰৰ শুনানি অনুষ্ঠিত হ'ব। আজি ঘৰত তালাচীৰ অন্তত সত্ৰ ন্যায়াধীশৰ আদালতত হাজিৰ কৰাব পাৰে বুলি জানিব পাৰ গৈছে। মহবুবুল হকৰ গ্ৰেপ্তাৰক লৈ দেশৰ কেবাগৰাকী সমাজকৰ্মীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক চিঠি প্ৰদান কৰি প্ৰধানমন্ত্ৰীৰ হস্তক্ষেপ দাবী কৰে। মহবুবুল হকৰ গ্ৰেপ্তাৰৰ বিৰুদ্ধে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ চিঠি প্ৰেৰণ কৰি শীঘ্ৰে হস্তক্ষেপ দাবী কৰে। মেঘালয়ৰ বেচৰকাৰী শিক্ষানুষ্ঠান ইউনিভাৰ্চিটি অফ চাইন্স এণ্ড টেকন'লজীৰ চেন্সেলৰ মহবুবুল হকৰ গ্ৰেপ্তাৰক লৈ উদ্বেগ প্ৰকাশ কৰি ন্যায়ৰ দাবী জনাইছে। প্ৰাক্তন মুখ্য নিৰ্বাচনী আয়ুক্ত এছ.ৱাই কুৰেশী, দিল্লীৰ প্ৰাক্তন ৰাজ্যপাল নাজিব জং, আলিগড় মুছলিম বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য জামিলুদ্দিন শ্বাহ, প্ৰাক্তন সাংসদ শাহিদ ছিদ্দিকী আৰু উদ্যোগপতি চাইদ শেৰৱানীকে ধৰি নাগৰিক সমাজে চিঠিত কয় যে সন্মানিত, ৰাজনীতিৰ বাহিৰৰ এগৰাকী নাগৰিকৰ এই গ্ৰেপ্তাৰ আৰু দীৰ্ঘকালীন কাৰাবাসে সমাজৰ প্ৰগতিশীল শক্তিৰ মনোবল ভাঙিব বিচাৰিছে। আধুনিক, ধৰ্মনিৰপেক্ষ উচ্চশিক্ষা আৰু চিকিৎসা প্ৰতিষ্ঠান গঠনৰ প্ৰচেষ্টাত বাধা দিছে। নিৰ্দোষ ব্যক্তিৰ প্ৰতি প্ৰতিহিংসা বুলি অভিহিত কৰি প্ৰধানমন্ত্ৰীক তাৎক্ষণিক হস্তক্ষেপৰ আহ্বান জনাইছে। এই ঘটনা অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ শিক্ষামূলক অগ্ৰগতিত এক চিন্তাজনক প্ৰশ্ন বুলি কয় জ্যেষ্ঠ নাগৰিকসকলে। ইউএছটিএমৰ পৰিয়াল আৰু সমৰ্থকসকলে এই অভিযোগ অস্বীকাৰ কৰি ৰাজনৈতিক ষড়যন্ত্ৰ বুলি অভিহিত কৰিছে। আজি অখিল গগৈয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে এয়া ৰাজনৈতিক প্ৰতিহিংসা পূৰণৰ বাবে কৰা গ্ৰেপ্তাৰ। মুছলমান হিচাপে ধাক্কা দিবৰ বাবে গ্ৰেপ্তাৰ কৰা হৈছে। ইউএছটিএমৰ সমীপত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পৰিয়ালে এখন মেডিকেল কলেজ খুলিব খুজিছিল। কিন্তু আগতে মেডিকেল কলেজ মহবুবুল হকে খুলিছে। তাৰ পিছতে হিমন্ত বিশ্ব শৰ্মাই ফেঁটীসাপৰ দৰে ফোঁচফোচাই আছে। মোৰ ব্যৱসায়ত হাত দিছা। সেই কাৰণে সেই মানুহজনক বলিৰ পঠা সজাই জেললৈ পঠিয়াইছে। মেঘালয়ৰ মুখ্যমন্ত্ৰীয়ে কৈছে যে তাত কোনো গণ্ডগোল নাই। নেডাৰ অধ্যক্ষ হিমন্ত বিশ্ব শৰ্মা। সেই নেডাৰ সদস্যই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে মন্তব্য দিছে। মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাই ইউএছটিএমৰ খেলিমেলিৰ অভিযোগক অস্বীকাৰ কৰিছে। মই ইউএছটিএমক লৈ স্পষ্ট কৰি দিছো যে সকলো অনুমতি আৰু প্ৰয়োজনীয় নথি-পত্ৰ আছে। ইয়াত একো ভুল নাই। হিমন্ত বিশ্ব শৰ্মাই তেনে মন্তব্য কিয় কৰিছে সেয়া তেওঁ ক'ব পাৰিব। প্ৰৱঞ্চনাৰ মাধ্যমেৰে নম্বৰ বৃদ্ধিৰ আশ্বাস দি ছাত্ৰ-ছাত্ৰীক প্ৰলোভিত কৰাৰ চিণ্ডিকেট চলোৱাৰ অভিযোগত ২২ ফেব্ৰুৱাৰীত মহবুবুল হকক গ্ৰেপ্তাৰ কৰা হৈছিল। গুৱাহাটীৰ পৰা প্ৰায় ৩০০ কিলোমিটাৰ দূৰৈৰ শ্ৰীভূমিলৈ পঠিওৱা আৰক্ষীয়ে তেওঁক নিজৰ জিম্মাত লৈ গৈছিল আৰু তাত মাৰাথন জেৰাৰ অন্তত আজি পুনৰ নিজৰ বাসগৃহলৈ আনি জোৰদাৰ তালাচী অভিযান চলোৱা হয়।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

প্ৰথম পৃষ্ঠাৰ পৰা...

# থলুৱাই পাব লাগিব সংস্থাপন

ত দেশ-বিদেশৰ ভিন্ন ক্ষেত্ৰৰ বিনিয়োগকাৰীসকলে অসমত বিনিয়োগ কৰিবলৈ গ্ৰহণ কৰা সিদ্ধান্তক সদৌ অসম ছাত্ৰ সন্থাই আদৰণি জনাইছে। ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান আৰু ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানে অসমৰ বিভিন্ন ক্ষেত্ৰত বিনিয়োগ কৰিবলৈ আগবাঢ়ি অহাটো ইতিবাচক। অসমৰো কিছু বিনিয়োগকাৰী এই প্ৰক্ৰিয়াটোত জড়িত হৈ পৰাটো আশাৰ বতৰা। কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন বিভাগেও বিশেষ বিশেষ প্ৰকল্প ঘোষণা কৰিছে। বিনিয়োগৰ প্ৰতিটো সিদ্ধান্ত আৰু ঘোষণা সঁচা অৰ্থত কাৰ্যকৰী হোৱাটো ছাত্ৰ সন্থাই বিচাৰে। এই সকলো সিদ্ধান্ত আৰু ঘোষণা ফলাফলৈ ৰূপান্তৰ হ'লেহে অসমৰ ৰাইজ আশ্বস্ত হ'ব। এই বিনিয়োগৰ ফলত অসমত যথেষ্টসংখ্যক নিয়োগ সৃষ্টি হ'ব। অসমৰ নিবনুৱা যুৱক-যুৱতীসকলৰ বাবে ই এক আশাৰ বতৰা। ছাত্ৰ সন্থাৰ স্পষ্ট মত- এই ক্ষেত্ৰত অসমৰ থলুৱা যুৱক-যুৱতীৰ সংস্থাপন সুনিশ্চিত হ'ব লাগিব। অসম চৰকাৰে এই দায়িত্ব দায়বদ্ধতাৰে পালন কৰিব লাগিব। ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা আৰু সাধাৰণ সম্পাদক সমীৰণ ফুকনে এই সম্পৰ্কত প্ৰকাশ কৰা এটা বিবৃতিত কয়- এডভাণ্টেজ আছাম ২.০ ৰ জৰিয়তে অসমত বিনিয়োগ কৰিবলৈ আগবাঢ়ি অহা দেশ-বিদেশৰ বিনিয়োগকাৰীসকলক ছাত্ৰ সন্থাই আদৰণি জনাইছে। অসমৰ অৰ্থনৈতিক উন্নয়নৰ স্বাৰ্থত ছাত্ৰ সন্থাই পূৰ্বৰ পৰাই অসমত বিনিয়োগকাৰীক আদৰণি জনাই আহিছে। অসমৰ উন্নয়নৰ বাবে বিনিয়োগ লাগিবই। অসমৰ মাটিত হোৱা বিনিয়োগে অসমৰ থলুৱা যুৱক-যুৱতীৰ বাবে নিয়োগৰ দুৱাৰ মুকলি কৰিব। জাতিটোৰ অৰ্থনৈতিক বুনিয়াদ টনকিয়াল কৰিবলৈ কৃষি অৰ্থনীতিৰ লগতে উদ্যোগ, বিনিয়োগ লাগিবই। এই সকলো ক্ষেত্ৰত থলুৱাৰ নিযুক্তি নিশ্চিত হ'ব লাগিব। ইতিমধ্যে স্থাপন হৈ থকা আৰু হ'বলগীয়া উদ্যোগসমূহত কেৱল তৃতীয়, চতুৰ্থ বৰ্গৰ চাকৰিতেই নহয় আন সকলো উচ্চ বৰ্গৰ কাৰিকৰী, অকাৰিকৰী পদতো থলুৱা যুৱক-যুৱতীক মকৰল কৰিব লাগিব। সেই উদ্দেশ্যৰে বিনিয়োগ আৰু উদ্যোগৰ সমান্তৰালভাৱে চৰকাৰে দক্ষতা বিকাশৰ অভিযান আৰম্ভ কৰিব লাগিব। তাৰ বাবে অসম চৰকাৰে পৰিকল্পিতভাৱে INDUSTRY ACADEMIA LINKAGE স্থাপন কৰক, অৰ্থাৎ ঔদ্যোগিক ক্ষেত্ৰখনত সৃষ্টি হ'ব পৰা নিয়োগৰ চাহিদা পূৰাব পৰাকৈ অসমৰ বিশ্ববিদ্যালয়, মহাবিদ্যালয়, পলিটেকনিক্, আই টি আইসমূহত আধুনিক বৃত্তিমুখী পাঠ্যক্ৰম প্ৰৱৰ্তন কৰক। এনে বিনিয়োগৰ উপৰি অসমত ইতিমধ্যে সংস্থাপন সৃষ্টি কৰি অহা ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহক অসম চৰকাৰে অধিক গতিশীল কৰি তুলিব লাগিব। ধাৰাবাহিক লোকচানৰ সন্মুখীন হৈ অহা ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহ চৰকাৰে পুনৰুজ্জীৱিত কৰিবই লাগিব। অসমত উদ্যোগ স্থাপন আৰু বিভিন্ন ক্ষেত্ৰত নিয়োগ সৃষ্টিৰ প্ৰক্ৰিয়াটো অবিৰত হ'ব লাগিব। অসমত ইতিমধ্যে স্থাপন হোৱা উদ্যোগসমূহৰ ক্ষেত্ৰত ভটিয়নী (DOWNSTREAM) উদ্যোগ স্থাপন কৰিব লাগিব। এডভাণ্টেজ আছাম ২.০ ৰ জৰিয়তে STARTUP INCUBATION আৰু ANGEL FINANCING ৰ পথ প্ৰশস্ত হ'ব লাগিব। অৰ্থাৎ থলুৱা যুৱক-যুৱতীৰ সম্ভাৱনাপূৰ্ণ ব্যৱসায়িক চিন্তা, উদ্ভাৱনক আৰ্থিকভাৱে সহায় কৰিবলৈ আৰু পৰিকল্পিতভাৱে অভিভাৱকত্ব প্ৰদান কৰিবলৈ এই ৰাজহুৱা খণ্ড আৰু ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানসমূহক অসম চৰকাৰে দায়বদ্ধ কৰিব লাগিব। অসমৰ ৰাইজ আৰু ছাত্ৰ সন্থাই বহনক্ষম উন্নয়ন বিচাৰে। প্ৰকৃতি আৰু পৰিৱেশৰ সৈতে সামঞ্জস্য থকা উন্নয়নহে আমাৰ দৰকাৰ। উন্নয়নৰ নামত জধে-মধে বন ধ্বংস আৰু প্ৰাকৃতিক ভাৰসাম্য বিনষ্ট হোৱা কাৰ্য যাতে সংঘটিত নহয় চৰকাৰ তাৰ প্ৰতি সচেতন হ'ব লাগিব। অসমৰ উন্নয়নৰ বাবে কৃষি অৰ্থনীতি আৰু ঔদ্যোগিক বিনিয়োগ দুয়োটাই জৰুৰী। অসমৰ কৃষিভূমি যিকোনো পৰিস্থিতিতেই সম্পূৰ্ণ সুৰক্ষিত হৈ থাকিব লাগিব। কৃষিভূমি সুৰক্ষা আৰু ঔদ্যোগিক ভূমি সৃষ্টি সম্পৰ্কত অসম চুক্তিৰ ৬ নং দফা অনুসৰি অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ প্ৰতিবেদনত স্পষ্টভাৱে পৰামৰ্শ আগবঢ়াইছে। সেই অনুসৰি চৰকাৰে কাৰ্যব্যৱস্থা ল'ব লাগিব বুলি সন্থাই বিবৃতিটোত উল্লেখ কৰে। এইদৰে আছুৱে এডভাণ্টেজ আছামক লৈ আশাবদী হৈ পৰা দেখা গৈছে।

# বিৰোধী ঐক্যবদ্ধ হয় নে নহয়, সেয়া আমাৰ বাবে গুৰুত্বপূৰ্ণ নহয়ঃ মন্ত্ৰী জয়ন্ত মল্ল

**ই-সংবাদ, শিৱসাগৰ, ২৮ ফেব্ৰুৱাৰীঃ** বিৰোধী ঐক্যবদ্ধ হয় নে নহয়, তেওঁলোকে কি কৰিছে, সেয়া আমাৰ কাৰণে গুৰুত্বপূৰ্ণ নহয়। বিৰোধী এক ভাগ হৈ থাকে, পাঁচ ভাগ হৈ থাকে তাত আমি চিন্তা নকৰো। আমি নিজৰ দলৰ হৈ কাম কৰি যাম। কাইলৈ ৰাজ্যৰ ৫ বিশিষ্ট লোকৰ নেতৃত্বত বিৰোধী দলসমূহক ঐক্যবদ্ধ কৰিবলৈ গুৱাহাটীত বৈঠক অনুষ্ঠিত কৰাৰ চৰ্চাৰ মাজতে আজি শিৱসাগৰত মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই বিৰোধী দলসমূহক এনেদৰে কটাক্ষ কৰে। সোণাপুৰৰ এখন হোটেলত বিৰোধী দলসমূহে বৈঠক কৰিবলৈ সাজু হোৱাৰ সময়তে মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই শিৱসাগৰত আৰু কয় যে কাইলৈ হোটেলত কিবা বৈঠক বহে, কিবা বহে সেয়া সংবাদ মাধ্যমৰ বাবে গুৰুত্বপূৰ্ণ হ'ব পাৰে। কিন্তু ৰাইজৰ বাবে গুৰুত্বপূৰ্ণ নহয়। শিৱসাগৰত অনুষ্ঠিত মহা শিৱৰাত্ৰি পূজা আৰু মেলাৰ আজি সামৰণি অনুষ্ঠান আজি অনুষ্ঠিত হয়। অনুষ্ঠানৰ সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰি জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰীগৰাকীয়ে শিৱসাগৰৰ শিৱৰাত্ৰি মেলাক আন্তঃৰাষ্ট্ৰীয় ধৰ্মীয় পৰ্যটন মেলালৈ লৈ যোৱাৰ বাবে অনাগত দিনত সহায় কৰাৰ আশ্বাস দিয়ে। শিৱসাগৰক ধৰ্মীয় পৰ্যটনস্থলী হিচাপে গঢ়ি তোলাৰ যথেষ্ট সুবিধা আছে বুলিও উল্লেখ কৰি ৰাইজে সহযোগ কৰিলে যমুনা বেদখল মুক্ত কৰিবলৈ চৰকাৰে পদক্ষেপ লোৱাৰো আশ্বাস দিয়ে মন্ত্ৰীগৰাকীয়ে। শিৱসাগৰৰ শিৱদৌলৰ চৌহদ আৰু চহৰখনত বিশুদ্ধ খোৱাপানী যোগানৰ বাবে কেইবা কোটি টকীয়া আঁচনিৰ কাম অতি সোনকালে আৰম্ভ কৰা হ'ব বুলিও সদৰি কৰে। জাতীয় সংগঠনসমূহক অনাগত দিনত আন্দোলন, প্ৰতিবাদ এৰাই চলাৰো পৰামৰ্শ আগবঢ়াই। যোৱা দুটা বছৰত উজনিত কোনো ডাঙৰ আন্দোলন নোহোৱা বাবেই বহু উন্নয়ন সম্ভৱ হোৱা বুলি দোহাৰে। শিৱদৌল উন্নয়ণ পৰিষদৰ সম্পাদক বসন্ত গগৈয়ে মহাশিৱৰাত্ৰি পূজা আৰু মেলা নিয়াৰিকৈ অনুষ্ঠিত কৰাত সহযোগ কৰা সকলোলৈকে কৃতজ্ঞতা প্ৰকাশ কৰে। ঐতিহাসিক যমুনা বেদখল মুক্ত কৰাৰ বাবে চৰকাৰক আহ্বান জনায়। অনুষ্ঠানত জিলা আয়ুক্ত আয়ুস গাৰ্গ, গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ সব্যসাঁচী মহন্ত, আছুৰ সাধাৰণ সম্পাদক সমীৰণ ফুকন, টাইপাৰ সাধাৰণ সম্পাদক দিগন্ত তামুলী উপস্থিত থাকে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিদেশত মোদীক আদৰণিৰ নামত চলে

আদৰণি জনোৱাৰ নামতো কৰা হৈছিল ব্যাপক ধন ব্যয়। লোকেশ বাট্ৰাৰ আৰ টি আই তথ্য অনুসৰি, নৰেন্দ্ৰ মোদীৰ ৰাছিয়া ভ্ৰমণৰ বাবে কেন্দ্ৰ চৰকাৰে ১৫ কোটিৰো অধিক টকা আৰু আবুধাবি ভ্ৰমণৰ বাবে প্ৰায় ৫ কোটি টকা ব্যয় কৰিছিল। আৰ টি আই যোগে বাট্ৰাই প্ৰধানমন্ত্ৰীৰ প্ৰতিটো বিদেশ ভ্ৰমণৰ মুঠ খৰচ, থকাৰ ব্যৱস্থা, পৰিবহণ, আৰু অনুষ্ঠানৰ দৰে বিভিন্ন শিতানত হোৱা খৰচ কোনো বাহ্যিক সংস্থাৰ পৃষ্ঠপোষকতা বা পুঁজিৰে কৰা হৈছে নেকি বুলি সুধিছিল। মোদীয়ে ভ্ৰমণ কৰা দেশসমূহৰ সকলো ভাৰতীয় দূতাবাসত আৰ টি আই দাখিল কৰাৰ পাছতো এতিয়ালৈকে আৰ টি আই কৰ্মী গৰাকীয়ে মাত্ৰ মস্কো আৰু আবুধাবিৰ পৰাহে প্ৰতিক্ৰিয়া লাভ কৰিছে। তথ্য অনুসৰি প্ৰধানমন্ত্ৰীৰ ৰাছিয়া ভ্ৰমণৰ সময়ত কমিউনিটি ৰিচেপচনৰ নামত খৰচ কৰা হৈছিল ১.৮৭ কোটি টকা। বিগত বৰ্ষৰ জুলাই মাহৰ প্ৰধানমন্ত্ৰীৰ এই মস্কো ভ্ৰমণৰ বাবে মুঠ ৫.১২ কোটি টকা খৰচ হৈছিল। ইয়াৰ ভিতৰত হোটেলৰ ব্যৱস্থাৰ বাবে ১.৮১ কোটি টকা, দৈনিক ভাট্টাত ২০.৮১ লাখ টকা, কমিউনিটি ৰিচেপচনৰ বাবে ১.৮৭ কোটি টকা, পৰিবহণৰ বাবে ৫৯.০৬ লাখ টকা, আৰু অন্যান্য খৰচৰ বাবে ৬২.৫৬ লাখ টকা খৰচ হৈছিল। অক্টোবৰ মাহৰ কাজান ভ্ৰমণৰ বাবে ৰাজকোষৰ পৰা ১০.২৪ কোটি টকা খৰচ কৰা হয়। ইয়াৰ ভিতৰত হোটেলৰ বাবে ১.৬২ কোটি, দৈনিক ভাট্টাত ২৫.৬৭ লাখ, পৰিবহণত ১.৭৯ কোটি আৰু অন্যান্য খৰচৰ শিতানত ৬.৫৬ কোটি টকা ব্যয় কৰা হৈছিল। আবুধাবিত থকা ভাৰতীয় দূতাবাসৰ তথ্য অনুসৰি ২০২৪ চনৰ ফেব্ৰুৱাৰী মাহত মোডীৰ এই ভ্ৰমণত ৪.৯৫ কোটি টকা ব্যয় কৰা হৈছিল। মন কৰিবলগীয়া কথা যে, কমিউনিটী ৰিচেপচনৰ নামত যি টকা খৰচ কৰা হৈছে, সেয়া হৈছে প্ৰৱাসী ভাৰতীয়ই প্ৰধানমন্ত্ৰীক আদৰণি জনোৱা বুলি চলোৱা প্ৰচাৰৰ এটা অংশ। অৰ্থাৎ প্ৰধামন্ত্ৰীৰ বিদেশ ভ্ৰমণকালত তেওঁক আদৰণি জনোৱাৰ বাবদ কৰা হয় খৰচ। এয়া স্বতঃস্ফুৰ্তভাৱে জনোৱা আদৰণি নহয়। এনেকৈয়ে ৰাজহুৱা ধন খৰচ কৰি প্ৰধামন্ত্ৰীক আদৰণি জনোৱা বুলি ভুৱা প্ৰচাৰ চলোৱা হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সাম্প্ৰদায়িক শক্তিক পৰাভূত

আজি উজনি অসম ভ্ৰমণ কৰে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই। ভূপেন বৰাই যোৰহাট আৰু গোলঘাট জিলা ভ্ৰমণ কৰি দলীয় কাৰ্যসূচীত অংশ লয়। ভ্ৰমণকালত সাংবাদমাধ্যমৰ সন্মুখত তাৎপৰ্যপূৰ্ণ মন্তব্য প্ৰদান কৰে ভূপেন বৰাই। ৰাজ্য চৰকাৰে পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত নকৰাত ক্ষোভ ব্যক্ত কৰি ১৮ মাৰ্চৰ আগে পিছে পঞ্চায়ত নিৰ্বাচন নকৰিলে ২০ মাৰ্চত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ দাৰস্থ হোৱাৰ হুংকাৰ দিয়ে। পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ শেষ সীমা বান্ধি দি বৰাই কয় যে পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰাৰ নামত ৰাজ্য চৰকাৰে ভেকোঁভাওনাৰ আশ্ৰয় লৈছে। নিৰ্বাচন অনুষ্ঠিত নকৰাৰ ফলত কেন্দ্ৰীয় চৰকাৰৰ ১১০০ কোটি টকাৰ উন্নয়ন পুঁজি উভতি যোৱাৰ উপক্ৰম হৈছে। ৰাজ্যত বিৰোধী দলৰ শক্তিশালী সাংগঠনিক ভেটিৰ উমান পাই মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ ভয় খাইছে। পঞ্চায়ত নিৰ্বাচন ১৮ মাৰ্চৰ আগে আগে অনুষ্ঠিত নকৰিলে প্ৰদেশ কংগ্ৰেছে ন্যায়ালয়ৰ দ্বাৰস্থ হ'ব। ইয়াৰ বাবে ইতিমধ্যে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তাৰ সৈতে যোগাযোগ কৰা হৈছে। আজি তিতাবৰৰ বিধায়ক ভাস্কৰ বৰুৱাৰ মাতৃৰ বিয়োগৰ খবৰ ল'বলৈ আহি এডভান্টেজ আসামৰ ফল অসমৰ জনতাই কেনেদৰে লাভ কৰিব বুলি প্ৰশ্ন উত্থাপন কৰে। পূৰ্বতে সৰ্বানন্দ সোণোৱালৰ কাৰ্যকালত গ্ৰহণ কৰা অনুৰূপ কাৰ্যসূচীৰ হাজাৰ কোটি টকীয়া আঁচনিৰ ফল কি হ'ল বুলি প্ৰশ্ন কৰি জনতাক মূল বিষয়ৰ পৰা দৃষ্টি আঁতৰাই নিয়াৰ এক কৌশল নেকি বুলি অভিযোগ তোলে কংগ্ৰেছৰ সভাপতিগৰাকীয়ে। মিত্ৰতা সন্দৰ্ভত ৰাইজৰ দলৰ নেতা, বিধায়ক অখিল গগৈয়ে কংগ্ৰেছক সমালোচনা কৰি বিগত তিনিটা নিৰ্বাচনত বিশ্বাসঘাটক কৰা বুলি কৰা সমালোচনাৰ প্ৰত্যুত্তৰ দি মিত্ৰতা টিভিত টকশ্বত নহয় বুলি কটাক্ষ কৰে। বৰাই কয় যে স্বাধীন ভাৰতত প্ৰতিটো নিৰ্বাচনত কংগ্ৰেছ দলে মিত্ৰতাৰ ধৰ্ম যেনেদৰে ৰক্ষা আৰু আগুৱাই নিছে সেইয়া অখিল গগৈয়ে অধ্যয়ন কৰিলেই সকলো উত্তৰ পাব। ২০১১ চনত ৭৪ গৰাকী কংগ্ৰেছৰ বিধায়ক থকাৰ পাছতো বিপিএফ দলৰ বিধায়কক মন্ত্ৰী পতা তৰুণ গগৈৰ চৰকাৰ, কংগ্ৰেছৰ মিত্ৰতা ধৰ্মৰ ই এক উদাহৰণ। প্ৰদেশ কংগ্ৰেছৰ সভাপতি সলনি নহয় বুলি দাবী কৰি বৰাই কয় যে বহাগ বিহুৰ পূৰ্বেই কংগ্ৰেছ দললৈ ভাল খবৰ আহিব। বিহুৰ পূৰ্বে কংগ্ৰেছত যোগদান কৰি কেবাটাও দলৰ নেতা। বিজেপিকে ধৰি কেইবাটাও দলৰ নেতাৰ নামসমূহ এতিয়া ক'ব খোজা নাই কিয়নো কংগ্ৰেছলৈ আহিব খোজা মানুহখিনিয়ে কষ্ট পাব। পঞ্চায়ত নিৰ্বাচনৰ মিত্ৰতাক লৈ প্ৰতিক্ৰিয়া ব্যক্ত কৰি বৰাই কয় যে অসমত ২৬ হাজাৰ ৱাৰ্ড আছে, ২৬ হাজাৰ পঞ্চায়ত আছে। গুৱাহাটীত বহি দুজনমান নেতাই সমিলমিল কৰাটো সম্ভৱ নহয়। অগপ আৰু বিজেপিয়ে একেলগে চৰকাৰ চলাই আছে যদিও পঞ্চায়তত একেলগে খেলিব নোৱাৰে। খেলিব লাগিলে বুথে বুথে, পঞ্চায়তে পঞ্চায়তে গৈ টিকট বিলাব লাগিব। জিলাসমূহক কোৱা হৈছে যে যিবোৰ জিলাত বিজেপি বিৰোধী শক্তিৰ সৈতে হাত মিলালে সহায় হয় হাত মিলাব। মিলা-মিছা, বুজাবুজি কৰি যদি সিদ্ধান্ত লয় তেন্তে সিদ্ধান্তক আদৰণি জনাম। সভাপতি ভূপেন বৰাই মেট্ৰিকৰ সমাজ বিদ্যাৰ চৰ্চিত প্ৰশ্নটোক লৈ প্ৰতিক্ৰিয়া ব্যক্ত কৰে। বৰাই কয় যে অসমত আমি শংকৰদেৱক অনুসৰণ কৰো। জ্যোতি, বিষ্ণু, ফণী শৰ্মাক অনুসৰণ কৰো। পদ্মনাথ গোহাঁই বৰুৱা, ৰসৰাস লক্ষ্মীনাথ বেজবৰুৱাক অনুসৰণ কৰো। লাচিত বৰফুকন, চিলাৰায়, সতী সাধিনী, সতী ৰাধিকা, সাহিত্যৰ কাণ্ডাৰীসকলৰ দৰে নমস্যা ব্যক্তিসকলে আমাক আমাৰ জাত-পাত ধৰ্মৰ কথা শিকাইছিলে নে বুলি প্ৰশ্ন কৰে? সাংস্কৃতিক গুৰু, অধ্যাত্মিক গুৰু কোনেও আমাক আনৰ ধৰ্মক ঘৃণা কৰিবলৈ শিকোৱা নাই। কোনো এখন হিন্দু শাস্ত্ৰতো আন ধৰ্মক ঘৃণা কৰিব লাগে বুলি লিখা নাই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# 'লিলি'ত নহয়, এইবাৰ 'আতিথ্য'ত

'অসম' পুনৰ নতুনকৈ গঠন হোৱাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। অসমৰ নাগৰিক সমাজৰ একাংশ লোকৰ নিৰন্তৰ চেষ্টাৰ ফলশ্ৰুতিত বিজেপি আৰু অগপ বিৰোধী আটাইকেইটা ৰাজনৈতিক দল একেখন মঞ্চত একত্ৰিত হ'বৰ বাবে প্ৰস্তুতি চূড়ান্ত কৰিছে। ড০ হীৰেন গোহাঁইৰ নেতৃত্বত নাগৰিক সমাজৰ একাংশ ব্যক্তিৰ প্ৰচেষ্টাত কাইলৈ অৰ্থাৎ শনিবাৰে গুৱাহাটীৰ নাতিদূৰৈত কংগ্ৰেছ, লুৰীণজ্যোতি গগৈৰ নেতৃত্বৰ অসম জাতীয় পৰিষদ, অখিল গগৈৰ নেতৃত্বৰ ৰাইজৰ দল, চিপিএম, চিপিআইকে ধৰি আটাইকেইটা বাওপন্থী দলৰ ৰাজ্যিক নেতৃত্বই সন্মিলিতভাৱে এখন বৈঠক অনুষ্ঠিত কৰিব। সোণাপুৰৰ এখন ৰিজৰ্ট সন্ধিয়া ৫ বজাৰ পৰা বিজেপি আৰু অজাপ আৰু ৰাইজৰ দলৰ অগপ বিৰোধী ৰাজনৈতিক দলসমূহৰ এই বৈঠকখন আৰম্ভ হ'ব। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা, বিৰোধী দলৰ নেতা দেৱব্ৰত শইকীয়া, সাংসদ প্ৰদ্যুৎ বৰদলৈ, ৰকিবুল হুছেইনে কংগ্ৰেছ দলক প্ৰতিনিধিত্ব কৰাৰ সম্ভাৱনা আছে। ইফালে, অখিল গগৈৰ নেতৃত্বত ৰাইজৰ দলৰ ৩ জন প্ৰতিনিধিয়ে সভাত অংশগ্ৰহণ কৰিব। লুৰীণজ্যোতি গগৈয়েও কেবাজনো সতীৰ্থক লৈ বিশিষ্ট বুদ্ধিজীৱি হীৰেন গোহাঁইৰ আহ্বানক্ৰমে এই সভাখনত উপস্থিত থাকিব। ২০২৬ৰ নিৰ্বাচনত হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বৰ বিজেপি চৰকাৰখন পতন ঘটাই কংগ্ৰেছৰ নেতৃত্বত এখন চৰকাৰ কৰিবৰ বাবে অসমৰ দুই আঞ্চলিক শক্তি লগতে বাওপন্থী দলসমূহকো একত্ৰিত কৰাৰ এই প্ৰয়াস দীৰ্ঘদিনৰ পৰা চলি আহিছিল আৰু ড০ গোহাঁইৰ নেতৃত্বত প্ৰায়কেইটা ৰাজনৈতিক দলৰ নেতা-কৰ্মীৰ লগত পৃথকে পৃথকে কেবালানিও আলোচনা ইতিমধ্যে হৈ গৈছে। শনিবাৰে সোণাপুৰত অনুষ্ঠিত হ'বলগীয়া বৈঠকখনত অসম সন্মিলিত মৰ্চা পুনৰ গঠন হোৱাৰ সম্ভাৱনা আছে। ড০ হীৰেন গোহাঁইৰ লগতে শিক্ষাবিদ আব্দুল মান্নান, অৱসৰপ্ৰাপ্ত আৰক্ষী সঞ্চালক প্ৰধান হৰেকৃষ্ণ ডেকা, সাংবাদিক পৰেশ মালাকাৰ, আইনজ্ঞ শান্তনু বৰঠাকুৰ আৰু ৰাজ্যসভাৰ সাংসদ অজিত কুমাৰ ভূঞাৰ মধ্যস্থতাৰ ফলশ্ৰুতিতে কাইলৈ বৈঠকখন অনুষ্ঠিত হ'ব বুলি জানিব পৰা গৈছে।

## জগদীশ বৰ্মন হত্যাকাণ্ড

# চতুৰ্থজন অভিযুক্ত আটক



**ই-সংবাদ, গোলকগঞ্জ, ২৮ ফেব্ৰুৱাৰীঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত উত্তৰ ৰায়পুৰ প্ৰথম খণ্ড গাঁৱৰ আমতলাত যোৱা ২০ ফেব্ৰুৱাৰীৰ নিশা ম'ৰেল পুলিচিং কৰি সাধাৰণ লোক এজনক হত্যা কৰা ঘটনাত জড়িত চতুৰ্থজন অভিযুক্তক কালি সন্ধিয়া আৰক্ষীয়ে আটক কৰে। আটকাধীন লোকজন গাঁওখনৰ নুৰ ইছলাম ওৰফে গেদা। জানিব পৰা মতে, বিযখোৰা পঞ্চম খণ্ড লাউখোৰাকুটীৰ জগদীশ চন্দ্ৰ বৰ্মনক নিশা বিচনদৈৰ এখন বিয়া ঘৰৰ পৰা গোলকগঞ্জৰ আন এখন বিয়া ঘৰলৈ যোৱাৰ সময়ত আমতলাত চোৰৰ সন্দেহত নিৰ্মমভাৱে মাৰপিট কৰে স্থানীয় একাংশ লোকে। খবৰ পাই গোলকগঞ্জ আৰক্ষী মুমূৰ্ষু অৱস্থাত উদ্ধাৰ কৰি প্ৰেৰণ কৰে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ। ২৩ ফেব্ৰুৱাৰীত আৰক্ষীয়ে আটক কৰে ছফৰুদ্দিন সেখক(৫৯)। ইপিনে, ২৪ ফেব্ৰুৱাৰীৰ নিশা চিকিৎসাধীন অৱস্থাত জগদীশৰ মৃত্যু হোৱাত অঞ্চলটোত তীব্ৰ উত্তেজনাৰ সৃষ্টি হয়। অবিভক্ত আক্ৰাছু আৰু ৰাষ্ট্ৰিয় বজৰং দলৰ নেতৃত্বত স্থানীয় কেইবা শতাধিক লোকে গোলকগঞ্জ থানা ঘেৰাও কৰি দোষীক দৃষ্টান্তমূলক শাস্তিৰ দাবী জনায়। আৰক্ষীয়ে সিদিনাই বিয়লি গাঁওখনৰ আমিনুৰ সেখ(২৭)ক আটক কৰে। অভিযুক্তক বিচাৰি আৰক্ষী অভিযান চলাই ২৬ ফেব্ৰুৱাৰীৰ নিশা বিদ্যাৰডাবৰী পঞ্চম খণ্ড গাঁৱৰ পৰা জমছেৰ আলীক(৩৪) আটক কৰে। আনহাতে, কালি সন্ধিয়া উত্তৰ ৰায়পুৰ প্ৰথম খণ্ড গাঁৱৰ পৰা নুৰ ইছলামক আটক কৰে। আন চাৰিজন অভিযুক্তক বিচাৰি গোলকগঞ্জ আৰক্ষীৰ অভিযান অব্যাহত থকা বুলি আৰক্ষী সূত্ৰে জানিব পৰা গৈছে। আনহাতে, আজি দুৰ্ভগীয়া পৰিয়ালটোৰ খবৰ ল'বলৈ ঘৰখনত উপস্থিত হয় বীৰ চিলাৰায় সেনা (স্বতন্ত্ৰ) অসমৰ ধুবুৰী জিলা সভাপতি প্ৰদীপ ৰায় ওৰফে নিত্যা আৰু উপদেষ্টা দিলীপ ৰায়। পৰিয়ালৰ খা-খবৰ লৈ সামান্য আৰ্থিক সাহায্য প্ৰদান কৰে। আগন্তুক আদ্যশ্ৰাদ্ধৰ অনুষ্ঠানৰ বাবে সহায়-সহযোগিতা আগবঢ়োৱাৰ লগতে অহা দিনত পৰিয়ালটোৰ আপদ-বিপদত লগত থকাৰ প্ৰতিশ্ৰুতি দিয়ে।

## কাণসাৰ নাই জনপ্ৰতিনিধিৰ, শীঘ্ৰে পকী দলং নিৰ্মাণৰ দাবী ৰাইজৰ

# মানাহৰ বাঁহৰ দলঙে জ্বলা-কলা খুৱাইছে কলগাছিয়াৰ দাৱনদিয়াবাসীক

**ই-সংবাদ, কলগাছিয়া, ২৮ ফেব্ৰুৱাৰীঃ** কলগাছিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত তথা বৰপেটা জিলাৰ দাবনদিয়া-জপিয়া সংযোগী পথৰ মৰা মানাহ নদীৰ ওপৰত থকা এখন জৰাজীৰ্ণ বাঁহৰ দলঙে জলা-কলা খুৱাইছে ৰাইজক। জনীয়া সমষ্টিৰ হাজাৰ হাজাৰ লোকে যাতায়াত কৰা জৰাজীৰ্ণ ৰাস্তা আৰু ভঙা বাঁহৰ দলঙে উদঙাই দিছে চৰকাৰৰ উন্নয়নৰ নমুনা। জনীয়াৰ বিধায়ক ডা০ হাফিজ ৰফিকুল ইছলামে ৰাস্তাটোত দলং নিৰ্মাণ নকৰাত স্থানীয় একাংশ যুৱকে গাঁঠিৰ ধন ভাঙি বাঁহৰ সাঁকো নিৰ্মাণ কৰি ৰাইজক যাতায়াতৰ সুবিধা কৰি দিছে যদিও দলংখনৰ খৰচ বাবদ ৰাইজে পকেটৰ পৰা ১০ ৰ পৰা ২০ টকাকৈ ভৰিব লগা হৈছে। অতি ব্যস্ততাপূৰ্ণ এই ৰাস্তাৰে দৈনিক হাজাৰ হাজাৰ মানুহৰ লগতে শ শ গাড়ী মটৰ যাতায়াত কৰে। কলগাছিয়াৰ বৰপেটা অসামৰিক চিকিৎসালয়, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আদিলৈ যাতায়াত কৰে অসংখ্য ছাত্ৰ-ছাত্ৰী আৰু ৰোগীয়ে। তাৰ পিছতো জনীয়াৰ বিধায়ক ডা০ হাফিজ ৰফিকুল ইছলামৰ কোনো গুৰুত্ব নাই। ইপিনে, বহু আশা লৈ ৰেকৰ্ড সংখ্যক ভোটেৰে জয়ী কৰোৱাইছিল



ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনক। কিন্তু ৰকিবুল হুছেইনেও পিঠি দিছে অঞ্চলটোলৈ। সেয়ে জনপ্ৰতিনিধিসকলৰ ওপৰত ক্ষোভিত হৈ পৰিছে কলগাছিয়া, দাবনদিয়া, নদিয়াপাৰা, জপিয়া আদি গাঁৱৰ ৰাইজ। পঞ্চায়ত নিৰ্বাচনৰ পূৰ্বে মৰা মানাহৰ ওপৰত এখন পকী দলং নিৰ্মাণৰ কাম আৰম্ভ কৰাৰ দাবী জনাইছে ৰাইজে। অন্যাথা আগন্তুক পঞ্চায়ত নিৰ্বাচনৰ সময়ত জন প্ৰতিনিধিসকলক উচিত শিক্ষা দিয়াৰ হুংকাৰ দিছে ৰাইজে।

# মঠঘৰীয়াত অচিনাক্ত মৃতদেহ উদ্ধাৰক লৈ চাঞ্চল্য

**ই-সংবাদ, নাৰেংগী ২৮ ফেব্ৰুৱাৰীঃ** আজি এটা অচিনাক্ত পুৰুষৰ মৃতদেহ উদ্ধাৰৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে গুৱাহাটী মহানগৰীৰ মঠঘৰীয়াত। দিনৰভাগত নুনমাটি আৰক্ষী থানা এলেকাৰ মঠঘৰীয়াত অচিনাক্ত লোক পৰি থকা প্ৰত্যক্ষ কৰে। কোনো আৰক্ষীক খবৰ দিয়াত আৰক্ষী উপস্থিত হৈ লোকজনৰ মৃত্যু হোৱাতো ঠিৰাং কৰে আৰু মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰে। প্ৰায় ৬০ বছৰীয়া লোকজন আকাশী ৰঙৰ টি-চাৰ্ট আৰু কলা লংপেণ্ট পিন্ধি আছে। ২৬ ফেব্ৰুৱাৰীৰ পৰা লোকজনক মঠঘৰীয়াৰ বড়োচকৰ পথৰ দাঁতিত দেখা পাইছিল বুলি দুই-এজনে জনাইছে যদিও এতিয়ালৈ মৃতদেহটোৰ পৰিচয় উদ্ধাৰ হোৱা নাই। মৃতদেহ চিনাক্তৰ বাবে ৭২ ঘণ্টা মৰ্গত ৰখা হ'ব বুলি জানিবলৈ দিছে আৰক্ষীয়ে।

# সমাজকৰ্মী-নলবাৰী জিলা বিজেপিৰ উপ-সভাপতি দুলাল চন্দ্ৰ দাসৰ আকস্মিক বিয়োগ

**ই-সংবাদ, বৰমা, ২৮ ফেব্ৰুবাৰীঃ** নলবাৰী জিলাৰ টিহু নগৰ নিবাসী বিশিষ্ট সমাজকৰ্মী, ভাৰতীয় খাদ্য নিগম টিহু শাখাৰ অৱসৰপ্ৰাপ্ত বিষয়া নলবাৰী জিলা বিজেপিৰ উপ-সভাপতি, মিলিত সংঘ টিহুৰ সভাপতি, টিহু থানা নাগৰিক সমিতিৰ সভাপতি, টিহু নগৰ উন্নয়ন সমিতিৰ সভাপতি, টিহু এফ আৰ ইউ পৰিচালনা সমিতিৰ সভাপতি দুলাল চন্দ্ৰ দাসৰ কালি আকস্মিকভাৱে মৃত্যু ঘটাত শোকস্তব্ধ হৈ পৰে সমগ্ৰ টিহু অঞ্চল। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭১ বছৰ। উল্লেখ্য যে ২৭ ফেব্ৰুবাৰীত তেওঁ পুৱা শাৰীৰিক অসুস্থতা অনুভৱ কৰি টিহু এফ আৰ ইউলৈ স্বাস্থ্য পৰীক্ষাৰ বাবে যায় আৰু চিকিৎসকৰ পৰামৰ্শ অনুসৰি নলবাৰীলৈ গৈ এখন ব্যক্তিগত চিকিৎসালয়ত শাৰীৰিক পৰীক্ষা-নিৰীক্ষা কৰি থাকোঁতে বিয়লি প্ৰায় ৪ বজাত তেওঁৰ আকস্মিকভাৱে মৃত্যু ঘটে। এসময়ত টিহুত ছাত্ৰ সমাজক নেতৃত্ব দিয়া, জ্যেষ্ঠ বিজেপি নেতা দাসৰ আকস্মিক বিয়োগৰ খবৰ পাই কালি সন্ধিয়া মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই হাস্পতাললৈ গৈ শ্ৰদ্ধাঞ্জলি নিবেদন কৰি শোকসন্তপ্ত পৰিয়ালক সমবেদনা জ্ঞাপন কৰে। আজি দাসৰ শেষ বিদায় যাত্ৰাত উপস্থিত থাকি কেবিনেট মন্ত্ৰী ৰঞ্জিৎ কুমাৰ দাস, নলবাৰী জিলা বিজেপি, টিহু মণ্ডল বিজেপি, টিহু নগৰ উন্নয়ন সমিতি, মিলিত সংঘ, টিহু থানা নাগৰিক সমিতি, টিহু মহকুমা সাংবাদিক সন্থা, টিহু মহকুমা ৰিপ'ৰ্টাৰ্ছ এচোছিয়েচন, টিহু সাহিত্য সভা, টিহু আঞ্চলিক উন্নয়ন সমিতি, টিহু ৰাজহুৱা পুথিভঁৰাল, টিহু মহাত্মা গান্ধী পৰিচালনা সমিতি, ইলোৰা বিজ্ঞান মঞ্চ টিহু, টিহু সাংস্কৃতিক কলা পৰিষদ, টিহু ৰাস আৰু দুৰ্গা মন্দিৰ পৰিচালনা সমিতিকে ধৰি বিভিন্ন দল-সংগঠন, অনুষ্ঠানে ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মৃত্যুৰ সময়ত দাসে ৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলুৱৈ পত্নী প্ৰতিভা দাসৰ লগতে একমাত্ৰ পুত্ৰ আৰু চাৰি জী-জোঁৱাইক এৰি থৈ যায়।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

## বৰমাৰ কদমতলৰ ২৭নং ৰাষ্ট্ৰীয় ঘাইপথত দাউদাউকৈ জ্বলিল চাৰিচকীয়া বাহন

**ই-সংবাদ, বৰমা, ২৮ ফেব্ৰুৱাৰীঃ** আজি বাক্সা জিলাৰ বৰমা কদমতলৰ নিকটবৰ্তী ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত হয় ভয়ংকৰ ঘটনা। পুৱতি নিশাই ৰাজপথত নিজে নিজে জ্বলি উঠিল এখন চলন্ত টাটা টিয়াগ' বাহন। বৰমাৰ পৰা বজালী অভিমুখে গৈ থকা অৱস্থাত AS-15 L-6929 নম্বৰৰ বাহনখন হঠাৎ জ্বলি উঠে। স্থানীয় ৰাইজৰ তৎপৰতাত বাহনখনত থকা চালকসহ দুই ব্যক্তিক উদ্ধাৰ কৰি চিকিৎসালয়লৈ প্ৰেৰণ কৰে। ঘটনাস্থলীত বৰমা আৰক্ষী, অগ্নিনিৰ্বাপক বাহিনী উপস্থিত হৈ জুই নিৰ্বাপণ কৰে আৰু পিছত বাহনখন থানালৈ লৈ যায়।

## দুটাকৈ মৃতদেহ উদ্ধাৰ, ৰঙিয়াত চাঞ্চল্য

**ই-সংবাদ, ৰঙিয়া, ২৮ ফেব্ৰুৱাৰীঃ** ৰঙিয়াত ৰে'ল আৰক্ষীয়ে দুটাকৈ অচিনাক্ত মৃতদেহ উদ্ধাৰ কৰা ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। গোৰেশ্বৰ ৰে'ল ষ্টেচন আৰু খৈৰাবাৰী ৰে'ল ষ্টেচন সংযোগী ৰে'ল পথত এদিন পূৰ্বে নিশাৰ ভাগত উদ্ধাৰ কৰে এগৰাকী প্ৰায় ৭০ৰ উৰ্ধৰ বৃদ্ধৰ মৃতদেহ। আনহাতে, ইয়াৰ সমান্তৰালভাৱে ৰঙিয়া ষ্টেচন আৰু কেন্দুকোনা ষ্টেচন সংযোগী ৰে'ল পথত উদ্ধাৰ হয় আন এগৰাকী ৩০ বছৰ বয়সীয়া যুৱকৰ মৃতদেহ। ধুতি পৰিহিত বৃদ্ধজনৰ মৃতদেহৰ লগতে হালধীয়া-বগা বৰণৰ চুৰেটাৰ আৰু ক'লা পেণ্ট পৰিহিত যুৱকজনৰ মৃতদেহ চিনাক্তকৰণৰ বাবে সম্প্ৰতি ৰে'ল আৰক্ষী থানাৰ মৰ্গত ৰখা হৈছে বুলি ৰে'ল আৰক্ষীয়ে প্ৰকাশ কৰিছে।

### অ'বিচিৰ মৰ্যাদা প্ৰদানৰ প্ৰক্ৰিয়া অধিক ত্বৰান্বিত কৰিবলৈ আহ্বান

## গৰীয়াসকলৰ জনগণনা, বসুন্ধৰা আঁচনি সন্দৰ্ভত মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ

**ই-সংবাদ, ধুপধৰা, ২৮ ফেব্ৰুৱাৰীঃ** ৰাজ্যখনত বাস কৰি অহা গৰীয়াসকলৰ জনগণনা আৰু বসুন্ধৰা আঁচনিৰ উপৰি আনো কেবাটাও বিষয় সন্দৰ্ভত সদৌ অসম গৰীয়া জাতীয় পৰিষদৰ গোৱালপাৰা জিলা সমিতিয়ে আজি গোৱালপাৰা জিলা আয়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ এখন স্মাৰকপত্ৰ প্ৰদান কৰে। সদৌ অসম গৰীয়া জাতীয় পৰিষদৰ গোৱালপাৰা জিলা সমিতিৰ সভাপতি ছোহৰাব আলী আৰু সম্পাদক জালাল আহমেদ স্বাক্ষৰিত স্মাৰকপত্ৰখনত উল্লেখ কৰা হয় যে ঔপনিৱেশিক শাসনকালৰ সময়ৰ পৰা ২০১৬ চনলৈকে অসমৰ শাসনত থকা চৰকাৰসমূহে অসমৰ থলুৱা ইছলামধৰ্মী গৰীয়া লোকসকলক ধৰ্মীয় সংখ্যালঘু সংজ্ঞাৰ ভিতৰত ৰাখি কেৱল ভোটবেংক হিচাপে ব্যৱহাৰ কৰি প্ৰব্ৰজনকাৰী সকলৰ লগত একাকাৰ কৰাৰ বাবে গৰীয়াসকল নিজৰ অস্তিত্বক লৈ সন্দিহান হৈ পৰিছিল। ২০২১ চনত ড০ হিমন্তবিশ্ব শৰ্মাৰ নেতৃত্বৰ চৰকাৰখনে দায়িত্বভাৰ গ্ৰহণ কৰাৰ সময়ৰ পৰাই গৰীয়াসকলে এক আশাৰ ৰেঙনি দেখিবলৈ পাইছে বুলি স্মাৰকপত্ৰখনত উল্লেখ কৰে। গৰীয়াসকলক কেবিনেট সিদ্ধান্তৰ জৰিয়তে নথিপত্ৰৰ দ্বাৰা খিলঞ্জীয়া হিচাপে ঘোষণা কৰা সিদ্ধান্তটোৱে নৱপ্ৰজন্মৰ গৰীয়াসকলক যথেষ্ট সকাহ প্ৰদান কৰিব বুলি স্মাৰকপত্ৰখনত আশা প্ৰকাশ কৰা হয়। আনহাতে, গৰীয়াসকল খিলঞ্জীয়া হোৱা স্বত্বেও বসুন্ধৰা আঁচনি বা আন কিছু দিশত একাংশ চৰকাৰী বিষয়াৰ দ্বাৰা পূৰ্বৰ দৰে অৱহেলা হোৱা পৰিলক্ষিত হোৱা বুলিও স্মাৰকপত্ৰখনত উল্লেখ কৰা হৈছে। ইফালে, যোৱা ২৬/০৬/২০২৪ তাৰিখৰ প্ৰথম



শুনানি কালত 'অসম অন্যান্য পিছপৰা আয়োগে' Memo No. ABC/Esstt/2021/37 যোগে আবেদনকাৰী গৰীয়া সংগঠন হিচাপে সদৌ অসম গৰীয়া জাতীয় পৰিষদক পৰৱৰ্তী শুনানীৰ পূৰ্বে অসমৰ গৰীয়াসকলৰ মুঠ সংখ্যাৰ তথ্য জমা দিবলৈ কোৱা হৈছিল। সেয়ে পৰিষদে অসমৰ বিভিন্ন জনগোষ্ঠীসমূহৰ পৰা এসময়ত বাদ পৰি ইছলাম ধৰ্মত দীক্ষিত হোৱা লোকসকলৰ সতি সন্তানসকলক তেওঁলোকৰ চাৰিপুৰুষে বসবাস কৰা তথ্যৰ ভিত্তিত নিভাঁজ গৰীয়া হিচাপে চিনাক্ত কৰাৰ ব্যৱস্থা কৰি ব্ৰহ্মপুত্ৰ উপত্যকাৰ ২৫ খন জিলাত সাংগঠনিকভাৱে 'গৰীয়া জনগণনা'ৰ কাম আৰম্ভ কৰিছে। এই প্ৰক্ৰিয়াত সদৌ অসম গৰীয়া জাতীয় পৰিষদৰ সংগ্ৰামী সতীৰ্থসকলে যথেষ্ট সাৱধানতাৰে কাম কৰি আহিছে যদিও একাংশ বংগমূলৰ, বহিৰাগত লোকে বাধা দিয়াৰ চেষ্টা কৰে বুলি উল্লেখ কৰি এইক্ষেত্ৰত মুখ্যমন্ত্ৰীৰ জৰিয়তে প্ৰশাসনিক বিষয়াৰ সহযোগিতা কামনা কৰাৰ লগতে অ' বি চিৰ মৰ্যাদা প্ৰদানৰ প্ৰক্ৰিয়াটো ত্বৰান্বিত কৰিবলৈ স্মাৰকপত্ৰত মুখ্যমন্ত্ৰীক অনুৰোধ জনায়।

## আজিৰে পৰা দুদিনীয়াকৈ 'ৰ'দঘাই বেবেজীয়া'ৰ নাট মহোৎসৱ

**ই-সংবাদ, বেবেজীয়া, ২৮ ফেব্ৰুৱাৰীঃ** নগাঁও জিলাৰ বৃহত্তৰ বেবেজীয়া অঞ্চলৰ বহুকেইজন নাট্যকৰ্মীৰ ঐকান্তিক প্ৰচেষ্টাত গণমুখী নাট্যপ্ৰীতি সঞ্চাৰ কৰি নাটকক জীৱনৰ অংগ কৰি লোৱাৰ সংকল্পৰে গঢ়ি উঠা এটি সাংস্কৃতিক অনুষ্ঠান হৈছে "ৰ'দঘাই বেবেজীয়া"। এই ৰ'দঘাই বেবেজীয়াই নৱ প্ৰজন্মক নাটকৰ প্ৰতি আকৃষ্ট কৰাৰ লগতে নাট্যপ্ৰেমী ৰাইজক নাটকৰ এক সুকীয়া সোৱাদ দিয়াৰ লক্ষ্যৰে অনুষ্ঠিত কৰি আহিছে নাট মহোৎসৱ। ব্যতিক্ৰমীৰূপত নাট প্ৰদৰ্শনৰ ব্যৱস্থাৰে এইবাৰো ষষ্ঠবাৰৰ বাবে 'ৰ'দঘাই বেবেজীয়া'ৰ নাট মহোৎসৱটি ১ আৰু ২ মাৰ্চত দুদিনীয়াকৈ অনুষ্ঠিত হ'ব। প্ৰকৃতিৰ কোলাত মুকলি পথাৰত দিনৰ পোহৰত নিসৰ্গৰ মুক্ত মঞ্চত প্ৰদৰ্শিত হ'বলগীয়া এই নাট্যানুষ্ঠানৰ প্ৰয়োজনীয় প্ৰস্তুতি ইতিমধ্যে সম্পূৰ্ণ কৰি তুলিছে উদ্যোক্তাসকলে। আচলতে পোহৰ আৰু শব্দৰ কাৰিকৰী কৌশল অবিহনে সম্পূৰ্ণ মুকলি পৰিৱেশত নাট প্ৰদৰ্শনৰ ব্যৱস্থাৰে ৰ'দঘাই বেবেজীয়াই এই ব্যতিক্ৰমী প্ৰচেষ্টা ২০২০ বৰ্ষৰ পৰা আৰম্ভ কৰিছিল। এইবাৰ প্ৰতিদিনে বিয়লি ১ বজাৰ পৰা আৰম্ভ হ'বলগীয়া এই নাট্যানুষ্ঠানত ৰাজ্যৰ আগশাৰীৰ নিৰ্বাচিত নাট্যদলে জনপ্ৰিয় নাট্যকাৰ আৰু পৰিচালকৰ দ্বাৰা মুঠ আঠখন নাটক মঞ্চস্থ কৰিব। জানিব পৰা মতে, এই নাট সমাৰোহত এইবাৰ ধিঙৰ প্ৰয়াস নাট্য দলে 'ধৰ ঝাড়ু ধৰ ভাই', মঙলদৈৰ জেংৰাই অসমে 'ছন পৰা বৃন্দাবন', যোৰহাটৰ শব্দই 'যাপন-উদযাপন', নগাঁৰৰ চন্দ্ৰজ্যোতি সংঘই 'ভন্টিৰ হাঁহি', ৰ'দঘাই বেবেজীয়াই 'জাকে জাকে উৰি যায় চৰাই', পুৰণিগুদামৰ ভাস থিয়েটাৰে 'ভগৱদজ্জুকম', চামগুৰিৰ মিৰদানে 'ওৱান্স আপ'ন এ টাইম ইন ভেকুড়ুবা' আৰু পুৰণিগুদামৰ নৱসৃষ্টিয়ে 'মানুহ খোৱা মানুহ' শীৰ্ষক নাটকেইখন মঞ্চস্থ কৰিব। গতিকে দুয়োদিনৰ নাট্য প্ৰদৰ্শনী উপভোগ কৰিবৰ বাবে সকলো নাট্যপ্ৰেমী লোকক ৰ'দঘাই বেবেজীয়াৰ সভাপতি প্ৰদ্যুম্ন গোস্বামী, সম্পাদক ৰঞ্জিত শৰ্মাৰ লগতে অভিনেতা দীপ বৰাই আমন্ত্ৰণ জনাইছে।

## কলগাছিয়াৰ খালবাল্লীত জামাত ই-ইছলামী হিন্দৰ সজাগতা সভা

**ই-সংবাদ, কলগাছিয়া, ২৮ ফেব্ৰুৱাৰীঃ** আগন্তুক পবিত্ৰ ৰমজান মাহ উপলক্ষে প্ৰতি বছৰৰ দৰে এইবেলিও জামাত ই-ইছলামী হিন্দে ৰমজান মাহৰ গুৰুত্ব, তাৎপৰ্য আৰু এই মাহত পালন কৰিবলগীয়া ধৰ্মীয় ইবাদতসমূহ যাতে সঠিক আৰু শুদ্ধকৈ সকলোৱে পালন কৰিব পাৰে তাৰ বাবে সজাগতা সভাৰ আয়োজন কৰি আহিছে। বুধবাৰে কলগাছিয়াৰ খাৰবাল্লি গাঁৱত জামাত ই-ইছলামী হিন্দৰ নামনি অসম সংমণ্ডলৰ তৰফৰ পৰা ৰমজান মাহৰ প্ৰাককণত এই সজাগতা সভাৰ আয়োজন কৰে। সংগঠনটোৰ উত্তৰ অসমৰ কাৰ্যালয়ৰ পৰা বিভিন্ন শাখা আৰু দায়িত্বশীললৈ প্ৰেৰণ কৰা জাননী মতে, ৰমজান মাহক আদৰণি, সমূহীয়া ইফটাৰ কাৰ্যসূচী, ব্যক্তিগত দাৱাতী ইফতাৰ কাৰ্যসূচী, ঈদ মিলন, ৰোজা-তাৰাবীহ নামাজৰ গুৰুত্ব সন্দৰ্ভত সভা-সমিতি পাতি সজাগতা বৃদ্ধি কৰাৰ লগতে কোৰাণ পঢ়া, জাকাত আদায় আৰু বিতৰণ আদি সন্দৰ্ভত ৰাইজক সজাগ কৰিবলৈ নিৰ্দেশ দিছে। সেই মতে জামাত ই-ইছলামী হিন্দৰ নামনি অসমৰ সংগঠক শ্বফিকুল ইছলামৰ নেতৃত্বত এটা সঁজাতি দলে কলগাছিয়াৰ খাৰবাল্লি গাঁৱত সভাখন অনুষ্ঠিত কৰি ৰাইজক সজাগ কৰে। অনুষ্ঠানত খাৰবাল্লি গাঁৱৰ ভালেসংখ্যক পুৰুষ-মহিলা উপস্থিত থাকে।

# মাৰ্ঘেৰিটাত ড্ৰাগছসহ আটক ৩ সৰবৰাহকাৰী

**ই-সংবাদ, মাৰ্ঘেৰিটা, ২৮ ফেব্ৰুৱাৰীঃ** ড্ৰাগছৰ বিৰুদ্ধে মাৰ্ঘেৰিটাৰ আৰক্ষীৰ আন এক সফলতা। মাৰ্ঘেৰিটা সমজিলাৰ অন্তৰ্গত হিলভিউ আৰু বৰগোলাই বাঁহবাৰীত আজি অভিযান চলাই তিনিজনকৈ ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰে মাৰ্ঘেৰিটা আৰক্ষীয়ে। গোপন সূত্ৰৰ পমখেদি আৰক্ষীয়ে মাৰ্ঘেৰিটাৰ হিলভিউ আৰু বৰগোলাই বাঁহবাৰীত চলোৱা অভিযানত ড্ৰাগছসহ আটক হয় ৩ টাকৈ ড্ৰাগছ সৰবৰাহকাৰী। মাৰ্ঘেৰিটাৰ হিলভিউত অভিযান চলাই আৰক্ষীয়ে ৮.১১ গ্ৰাম ড্ৰাগছসহ এজন কুখ্যাত ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হোৱা বিপৰীতে বৰগোলাই বাঁহবাৰীত ৮.৮৫ গ্ৰাম ড্ৰাগছসহ আন দুই ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হয়। ড্ৰাগছ সৰবৰাহকাৰীকেইটা পৰা আৰক্ষীয়ে মুঠ ১৭.১১ গ্ৰাম নিষিদ্ধ ড্ৰাগছ জব্দ কৰে। ধৃত তিনি ড্ৰাগছ সৰবৰাহকাৰী ক্ৰমে মাৰ্ঘেৰিটা উলুপৰ জিতেন গোৱালা আৰু লিডুৰ মোলাগুৰ চফিকুল আলী আৰু নাজিৰ উদ্দিন আলী। নিষিদ্ধ ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীয়ে চলোৱা অভিযানত স্থানীয় ৰাইজে সন্তুষ্টিৰ প্ৰকাশ কৰিছে। আজি ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীৰ দলটোক নেতৃত্ব দিয়ে মাৰ্ঘেৰিটা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া প্ৰতাপ গগৈ আৰু সহকাৰী আৰক্ষী বিষয়া সুমন সূতে।




**ধুবুৰীৰ কিষাণ মেলাত ৩৮ কিলোগ্ৰাম ওজনৰ ৰঙালাউৱে দৃষ্টি কাঢ়িছে সকলোৰে**

# সমাজকৰ্মী অখিল চন্দ্ৰ বৰুৱালৈ অস্মিতা ফাউণ্ডেশ্যন বঁটা

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ২৮ ফেব্ৰুৱাৰীঃ** তিনিচুকীয়া চহৰৰ বৰদলৈ নগৰৰ গিৰীশ চন্দ্ৰ ৰায়চৌধুৰী পথস্থিত অস্মিতা ফাউণ্ডেশ্যনে অহা ৩ মাৰ্চৰ বিয়লি ২ বজাত বৰদলৈ নগৰস্থিত হোটেল হিলটনৰ সভাকক্ষত "জীৱন জীৱন বৰ অনুপম" শীৰ্ষক জীৱন উদযাপন বিষয়ক এক অন্তৰংগ আলাপ অনুষ্ঠানৰ আয়োজন কৰিছে। উক্ত অনুষ্ঠানতেই তিনিচুকীয়া জিলাৰ মাকুম নিৱাসী বিশিষ্ট সমাজকৰ্মী, সাংবাদিক, সাহিত্যিক অখিল চন্দ্ৰ বৰুৱাক তেখেতৰ নিৰলস সামাজিক কৰ্মৰাজিৰ স্বীকৃতি স্বৰূপে অস্মিতা ফাউণ্ডেশ্যন বঁটাৰে সন্মানিত কৰিব। এই বঁটাত আছে অংগ-বস্ত্ৰ, স্মাৰকসহ নগদ ধন। উল্লেখ্য যে তিনিচুকীয়াৰ বিশিষ্ট সমাজকৰ্মী, সু-সাহিত্যিক অতুল চন্দ্ৰ শৰ্মা আৰু তেখেতৰ সহৰ্ধমিনী অজন্তা শৰ্মাৰ কণিষ্ঠা কন্যা অস্মিতাই ২০১৫ চনত এই পৃথিৱীৰ পৰা আঁতৰি গৈছিল। অতি প্ৰতিভাময়ী অস্মিতাৰ স্মৃতি চিৰযুগমীয়া কৰাৰ প্ৰয়াসেৰে ২০১৬ চনৰপৰা অস্মিতা ফাউণ্ডেচন বঁটা প্ৰৱৰ্তন কৰিছে ফাউণ্ডেশ্যনে। সমাজৰ আৰ্থিকভাৱে দুৰ্বল, কেন্সাৰ ৰোগী সকলৰ সহায় আৰু সচেতনতা কাৰ্যসূচী সম্পন্ন কৰি অহা ফাউণ্ডেচনে বহুকেইখন গ্ৰন্থ প্ৰকাশ কৰি সাহিত্যৰ ভঁৰালো চহকী কৰিছে। স্মৰ্তব্য যে বিশিষ্ট সমাজকৰ্মী-সমাজ সংগঠক, সাংবাদিক, সাহিত্যিক তথা জনগোষ্ঠীয় ৰাইজৰ বাবে সেৱা আগবঢ়াই অহা, শিশুগৃহৰ আপোন মানুহ অখিল চন্দ্ৰ বৰুৱাই জনগোষ্ঠীয় জীৱনৰ পটভূমিত দিহিং পাটকাইত সোণৰ চেকুৰা, স্বপ্ন ভংগৰ উচুপনি আৰু ৰ'দৰ ডৰিয়লি গ্ৰন্থৰে অসমীয়া সাহিত্যৰ ভঁৰাল সমৃদ্ধ কৰিছে। উল্লেখ্য যে সমাজ জীৱনলৈ নীৰৱে সেৱা আগবঢ়াই অহা বহু কেইগৰাকী বৰেণ্য ব্যক্তিক বিগত সময়ত অস্মিতা ফাউণ্ডেশ্যনে উক্ত বঁটা প্ৰদান কৰিছে।

# ডিব্ৰুগড় বিজ্ঞান সমিতিৰ ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসত মন্ত্ৰী প্ৰশান্ত ফুকন

**ই-সংবাদ, ডিব্ৰুগড়, ২৮ ফেব্ৰুৱাৰীঃ** অসম বিজ্ঞান সমিতি, ডিব্ৰুগড় শাখাৰ উদ্যোগত অংগনৱাড়ী ছাউথ জালান স্কুলত আজি ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদযাপন কৰা হয়। ইয়াত সহযোগিতা আগবঢ়ায় ছেক্ৰিফাইছ গ্ৰুপ আৰু অংগনৱাড়ী ছাউথ জালান স্কুলে। বিজ্ঞান সমিতিৰ সভাপতি ডঃ ভাৰতী দত্তৰ পৌৰহিত্যত অনুষ্ঠিত অনুষ্ঠানত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক নাছিৰ চুলতানে। উদ্দেশ্যে ব্যাখ্যাত সম্পাদক গৰাকীয়ে সমিতিৰ বিজ্ঞানৰ প্ৰচাৰ আৰু প্ৰসাৰত সমিতিৰ দায়বদ্ধতা কথা দোহাৰে। এই অনুষ্ঠানত তিনিটা বিশেষ বিষয়ত বক্তৃতা প্ৰদান কৰে কাৰ্যকৰী সভানেত্ৰী সুদক্ষিণা দাস, সদস্যা ডঃ চুলতানা হাজৰিকা আৰু দীপশিখা মৰাণে। স্বাস্থ্যসন্মত খাদ্যাভ্যাস আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতা তথা অন্ধবিশ্বাসৰ ওপৰত বক্তৃতা প্ৰদান কৰা হয়। থলুৱা খাদ্য সামগ্ৰীত থকা ভিটামিন, প্ৰ'টিনৰ প্ৰয়োজনীয়তা আদি বিষয়ত সুদক্ষিণা দাসে সাৱলীলভাৱে চাহ বাগানৰ পুৰুষ-মহিলাসকলক উদ্দেশ্যি কয়। ডঃ চুলতানা হাজৰিকাই থলুৱা বন শাকৰ খাদ্যপ্ৰাণ সম্পৰ্কে আৰু দীপশিখা মৰাণে সুস্বাস্থ্যৰ বাবে পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ প্ৰয়োজনীয়তা সম্পৰ্কে বিশদভাৱে কয়। সভাত মুখ্য অতিথিৰূপে উপস্থিত থকা অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী প্ৰশান্ত ফুকনে সহজ-সৰল ভাষাৰে দৰ্শকৰ উপযোগীকৈ স্বাস্থ্য ৰক্ষাৰ বিভিন্ন দিশৰ বিষয়ে কয়। সভানেত্ৰীৰ ভাষণত ডঃ ভাৰতী দত্তই দৈনন্দিন জীৱনত পুৱাৰপৰা নিশালৈ পালন কৰিবলগীয়া স্বাস্থ্যবিধিৰ বিষয়ে কয়। লগতে ডাইনীৰ দৰে অন্ধবিশ্বাসৰ বলি নহ'বলৈ তেওঁ উপস্থিত সকলোকে আহ্বান জনায়। অনুষ্ঠানটি অনুষ্ঠিত কৰাত সহযোগিতা কৰা জয়মতী মাহাতু, প্ৰাৰ্থনা তাঁতী আৰু হুছেইনক বিশেষভাৱে শলাগ জ্ঞাপন কৰাৰ অন্তত শলাগৰ শৰাই আগবঢ়ায় সমিতিৰ উপ-সভাপতি ডঃ ৰঞ্জিত সিংহই।

# দুলীয়াজানত ৩ চোৰক জে'ললৈ

**ই-সংবাদ, দুলীয়াজান, ২৮ ফেব্ৰুৱাৰীঃ** কালি দুলীয়াজানৰ পুৰণা বাছ আস্থানত লগালগিকৈ থকা দুলীয়াজান মিডিয়া চেন্টাৰ, দুলীয়াজান সাহিত্য সভা ভৱন আৰু ক্লাচিক কমিউনিকেশ্যন নামৰ এখন ব্যৱসায়িক প্ৰতিষ্ঠানৰপৰা শীতাতপ নিয়ন্ত্ৰিত যন্ত্ৰৰ কেবল চুৰি কৰা তিনিটা চোৰক দুলীয়াজান আৰক্ষীয়ে আটক কৰি জে'ললৈ প্ৰেৰণ কৰে। কালি নিশা উক্ত চুৰি কাণ্ড সংঘটিত হোৱাৰ পিছত পুৱা দুলীয়াজানৰ একাংশ সাংবাদিক দুলীয়াজান মিডিয়া চেন্টাৰত উপস্থিত হৈ চুৰিকাণ্ডৰ বিষয়ে আৰক্ষী অৱগত কৰে। লগে লগে দুলীয়াজান আৰক্ষীৰ পৰিদৰ্শক



বিষয়া ভাস্কৰ শইকীয়াৰ নেতৃত্বত এটা আৰক্ষীৰ দল ঘটনাস্থলীত উপস্থিত হৈ তাৎক্ষণিকভাৱে ঘটনাৰ তদন্ত আৰম্ভ কৰে আৰু ২৪ ঘণ্টা পাৰ নৌহওঁতেই তিনিটা চোৰক আটক কৰে। মুঠ ৭ টাকৈ শীতাতপ নিয়ন্ত্ৰিত যন্ত্ৰৰ কেবল চুৰি কৰি ডেইলীৰ বজাৰ এলেকাত থকা লক্ষ্মণ ডোমৰ ব্যক্তিজনৰ ডেম্পত বিক্ৰী কৰে। ধৃত চোৰকেইটাক লগত লৈ আজি ঘটনাস্থলী পৰিদৰ্শন কৰি চুৰি সামগ্ৰীখিনি জব্দ কৰে আৰক্ষীয়ে। ধৃত চোৰকেইটা ক্ৰমে ডেইলী বজাৰৰ জ্যোতি নগৰৰ কুণ্ডন ৰাও (২০), সোণাপুৰ নামঘৰৰ সমীপৰ বিতু প্ৰসাদ (২৭) আৰু ২ নং বৰকোলাৰ মনোজ সতনামী (২৫) বুলি জানিব পৰা গৈছে। ধৃত তিনিওটা দুৰ্ধৰ্ষ চোৰকে আজি ন্যায়ালয়ত হাজিৰ কৰাৰ অন্তত ভাৰতীয় দণ্ডবিধি আইনৰ ৩০৫ বি এন এছ ধাৰাৰ অধীনত ৩৮/২৫ নম্বৰৰ গোচৰ পঞ্জীয়ন কৰি কাৰাগাৰলৈ প্ৰেৰণ কৰে। সম্প্ৰতি ডেম্পৰ গৰাকী লক্ষ্মণ ডোম পলাতক বুলি আৰক্ষীয়ে জানিবলৈ দিছে।

# নগাঁওৰ মানসপটত আজিও সজীৱ অভিশপ্ত তিৰাশীৰ পহিলা মাৰ্চৰ সেই কৰুণ অধ্যায়

**ই-সংবাদ, বেবেজীয়া, ২৮ ফেব্ৰুৱাৰীঃ** পহিলা মাৰ্চ। অসমবাসীৰ বাবে এটি কৰুণ দিন। ঘাইকৈ নগাঁওবাসীয়ে কোনোকালে পাহৰিব নোৱাৰা এক বেদনাদায়ক অধ্যায়। আজিৰ পৰা ৪২ বছৰ পূৰ্বে বিদেশী বহিস্কাৰ আন্দোলনৰ নামত ১৯৮৩ চনৰ পহিলা মাৰ্চৰ দিনটোতে নগাঁৰৰ দক্ষিণ-পশ্চিমাঞ্চলৰ শতাধিক লোকে নিজৰ জন্মভূমিৰ হকে আত্মবলিদান দিবলগীয়া হৈছিল। তেজাল যুৱকৰ তপত তেজেৰে ৰাঙলী হৈছিল মাতৃভূমি। যিসকলৰ অকাল অথচ সকৰুণ মৃত্যুয়ে কাঢ়ি নিলে কাৰোবাৰ শিৰৰ সেন্দুৰ। খালি হৈ ৰ'ল বহু মাতৃৰ বুকু। বহু সন্তান হৈ পৰিল পিতৃহাৰা। কোৱাটো সমীচীন যে সময়ৰ সোঁতত সেই দুঃসহ কৰুণ স্মৃতি মচখাব ধৰিছে যদিও সেই হতভগীয়া পৰিয়ালবোৰৰ লগতে আন বহুজনে কিন্তু সেই ভয়াবহ দিনটোৰ কথা আজিও পাহৰিব পৰা নাই। কলং, কপিলি আৰু বৰপানী নদীত কেঁচা তেজৰ ফাকু খেলি নিজৰ জীৱন আহুতি দি ডিমৌ, ফুলগুৰি, ৰহা, শেতালী, জাগীয়াল, সৰাগাঁও, দীঘলদৰি, কাকতিগাঁও, পেটবঢ়া, বাৰপুজীয়া, গুইমাৰী, কামপুৰ, বেবেজীয়া, লাউপানী, কচুৱা, আমতলা, ৰাজাগাঁও, শালমৰা আদি গাঁৰৰ সহজ-সৰল শতাধিক লোকে জীৱন বলিদানৰ প্ৰতিদানস্বৰূপে 'ছহিদ' আখ্যা পালে যদিও সম্প্ৰতি ৰাজ্য চৰকাৰ বা সমাজৰ ভব্যগব্য লোকসকলে তেওঁলোকৰ প্ৰতি তিলমানো শ্ৰদ্ধা নিবেদিবলৈ অলপো আহৰি পোৱা নাই। আনকি নেতাসকলে য'তে-ত'তে বক্তৃতাৰ ফুলজাৰি মাৰি ফুৰিলেও দুৰ্ভগীয়া এই ছহিদ পৰিয়ালৰ দুখ-দুৰ্দশাৰ বিষয়ে কিন্তু অলপো নাভাবে। কিছুবছৰৰ আগলৈকে এই বিশেষ দিনটোত ছহিদসকলক সোঁৱৰণ কৰাৰ অৰ্থে স্মৃতি সভা, প্ৰাৰ্থনা সভা আদি অনুষ্ঠিত কৰা হৈছিল যদিও বৰ্তমানে তেনে নেতাসকলৰ ছহিদসকলক সুঁৱৰি এগছি বন্তি জ্বলাবলৈও অৱকাশ নাই বুলি সততে অভিযোগ শুনা যায়। ইফালে, বিভিন্ন স্থানত স্থাপন কৰা ছহিদ বেদীবোৰ এতিয়া হাবি-জংঘলেৰে আবৰি ধৰি এৰাবাৰীত পৰিণত কৰি তুলিছে উপযুক্ত ৰক্ষণাবেক্ষণৰ অভাৱত। কোৱা বাহুল্য মাথোন, জাতীয়তাবাদৰ ধ্বজাবাহক বুলি প্ৰায়েই দাবী কৰি অহা বিভিন্ন দল-সংগঠনসমূহে পাহৰিলেও দুৰ্ভগীয়া পৰিয়ালকেইটাই কিন্তু আজিৰ তাৰিখলৈকো পাহৰিব পৰা নাই আপোনজনক হেৰুৱাৰ বেদনা। তদনুযায়ী বেদনাদায়ক স্মৃতি ৰোমন্থনেৰে দেশপ্ৰেমৰ স্বাক্ষৰ বহনকাৰী ছহিদসকলৰ মৃত্যুৰ এই বিশেষ দিনটোত হতভগীয়া পৰিয়ালকেইটাৰ সদস্যসকলে আপোনজনক সোঁৱৰণ কৰে। অশ্ৰুসিক্ত নয়নেৰে শ্ৰদ্ধা নিবেদি এগছিকৈ বন্তি জ্বলায়। প্ৰণিধানযোগ্য যে আজিৰপৰা ৪২ বছৰ আগতে এই পহিলা মাৰ্চৰ দিনটোতে হোৱা ৰক্তক্ষয়ী সংঘৰ্ষত নগাঁও জিলাৰ দক্ষিণ-পশ্চিমাঞ্চলৰ সুনীল বৰ্মন, অতুল বৰা, প্ৰদীপ বৰদলৈ, নাৰায়ণ ৰংহাং, অতুল নাথ, প্ৰভাত কোঁৱৰ, থানেশ্বৰ দাস প্ৰমুখ্যে বহুজনে দেশমাতৃৰ হকে প্ৰাণত্যাগ কৰি দেশপ্ৰেমৰ উজ্বল স্বাক্ষৰ লিপিৱদ্ধ কৰি থৈ গৈছে।

# সমাজ বিজ্ঞানৰ প্ৰশ্নকাকত এপিএছচি, ইউপিএছচিৰ সমপৰ্যায়ৰ হৈছে, এবছুৰ প্ৰতিক্ৰিয়া

**ই-সংবাদ, কোকৰাঝাৰ, ২৮ ফেব্ৰুৱাৰীঃ** চলিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ সমাজ বিজ্ঞানৰ প্ৰশ্নকাকতত লৈ বিতৰ্ক হোৱাৰ পিছত এইবাৰ এবছুৱে সমাজ বিজ্ঞানৰ প্ৰশ্নকাকতখন অতি জটিল হোৱা বুলি অভিযোগ কৰি ধৰ্ম সম্পৰ্কীয় প্ৰশ্ন অন্তৰ্ভুক্ত কৰাত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। আজি এবছুৰ কেন্দ্ৰীয় কাৰ্যালয় বডোফা ভৱনত আয়োজিত হোৱা এক সংবাদমেলত এবছুৰ শিক্ষা বিভাগৰ সম্পাদক সৌমওসাৰ বসুমতাৰীয়ে কয় যে কালি অনুষ্ঠিত হোৱা সমাজ বিজ্ঞানৰ প্ৰশ্নকাকতখনৰ পেটাৰ্ণ বহু জটিল হৈছে আৰু এনে প্ৰশ্ন সাধাৰণতে এ পি এছ চি-ইউ পি এছ চিৰ দৰে প্ৰতিযোগিতামূলক পৰীক্ষাতহে দেখা যায়। সমাজ বিজ্ঞানৰ পৰীক্ষা শেষ হোৱাৰ পাছৰেপৰাই বহু অভিভাৱক তথা ছাত্ৰ-ছাত্ৰীয়ে প্ৰশ্নকাকতখন জটিল হোৱা বুলি তেওঁলোকৰ লগত যোগাযোগ কৰাৰ পিছত এবছুৱে নিজাববীয়াকৈ প্ৰশ্নকাকতখন পৰ্যৱেক্ষণ কৰে আৰু সঁচাকৈয়ে প্ৰশ্নকাকতখন হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ সমপৰ্য্যায়ৰ হোৱা নাই বুলি পতিয়ন যায়। উক্ত প্ৰশ্নকাকতখন বহু উচ্চপৰ্যায়ৰ অৰ্থাৎ এ পি এছ চি, ইউ পি এছ চিৰ সমপৰ্য্যায়ৰ হোৱা বুলি মন্তব্য কৰি এবছুৰ শিক্ষা বিভাগৰ সম্পাদক সৌমওসাৰ বসুমতাৰীয়ে কয় যে বহু পৃষ্ঠাজোৰা প্ৰশ্নকাকতখনত যেনেধৰণৰ জটিল প্ৰশ্ন অন্তৰ্ভুক্ত কৰিছে এনে হঠকাৰী কাৰ্যৰ দ্বাৰা পৰীক্ষাৰ্থীক হতাশগ্ৰস্ত কৰি তুলিছে। এনে জটিল প্ৰশ্নকাকতৰ ফলত যাতে ভাল ফলাফলৰ পৰা বঞ্চিত নহয় তাৰবাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ ৰাজ্য চৰকাৰ আৰু অসম ৰাজ্যিক শিক্ষা পৰিষদৰ প্ৰতি আহ্বান জনাইছে। তদুপৰি ধৰ্ম সম্পৰ্কীয় প্ৰশ্ন অন্তৰ্ভুক্ত কৰা কাৰ্যৰো প্ৰতিক্ৰিয়া প্ৰকাশ কৰি এবছুৱে ছাত্ৰ-ছাত্ৰীৰ মনত এতিয়াৰেপৰা এনেধৰণৰ চিন্তাধাৰা সোমাই দিয়া কাৰ্য উচিত হোৱা নাই বুলি মন্তব্য কৰিছে। আনহাতে, কালি পৰীক্ষাগৃহত ছাত্ৰ-ছাত্ৰীসকলক আধাঘণ্টাৰ পূৰ্বে প্ৰশ্নকাকত বিতৰণ কৰি অধ্যয়ন কৰিবলৈ দিয়া বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰিছে এবছুৱে। শিক্ষকসকলে জটিল প্ৰশ্ন কাকত আহিব বুলি জনাৰ বাবেই হয়তো আধাঘণ্টা পূৰ্বে প্ৰশ্নকাকতখন ছাত্ৰ-ছাত্ৰীক অধ্যয়ন কৰিবলৈ দিয়া কাৰ্য পৰীক্ষা নীতিৰ পৰিপন্থী বুলি উল্লেখ কৰে এবছুৱে। ভৱিষ্যতে এনে কাৰ্যৰ পুনৰাবৃত্তি যাতে নহয় তাৰবাবে কাৰ্যব্যৱস্থা গ্ৰহণ কৰিবলৈ ৰাজ্য চৰকাৰক দাবী জনাইছে এবছুৱে। আনহাতে, বি টি চিৰ শিক্ষা বিভাগৰ সঞ্চালক জে পি ব্ৰহ্মৰপৰা এই সন্দৰ্ভত প্ৰতিক্ৰিয়া বিচৰাত তেওঁ কয় যে ওপৰৰপৰা অহা নিৰ্দেশনামৰ্মে পৰীক্ষা আৰম্ভ হোৱা ১৫ মিনিট পূৰ্বে ছাত্ৰ-ছাত্ৰীক দিয়া হৈছিল প্ৰশ্নকাকত দিয়া হৈছিল।

# বাপুজী বালিকা বিদ্যালয়ত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদযাপন

**ই-সংবাদ, দুমুনিচকী, ২৮ ফেব্ৰুৱাৰীঃ** দৰং জিলাৰ পশ্চিম প্ৰান্তৰ বিষ্ণুপুৰত অৱস্থিত নাৰী শিক্ষাৰ অগ্ৰণী শিক্ষানুষ্ঠান বাপুজী বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ উদ্যোগত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস আজি দিনজোৱা কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। দিৱসৰ সৈতে সংগতি ৰাখি আয়োজন কৰা হয় এখন পাঠভিত্তিক আৰ্হি তথা শিকন সঁজুলিৰ প্ৰদৰ্শনী। এই প্ৰদৰ্শনীত বিদ্যালয়ৰ প্ৰতিটো শ্ৰেণীৰ পৰা ত্ৰিশটাৰো অধিক আৰ্হি আৰু শিকন সঁজুলি প্ৰদৰ্শিত হয়। শিক্ষকসকলৰ তত্বাৱধানত ছাত্ৰীসকলে প্ৰস্তুত কৰি প্ৰদৰ্শন কৰা আৰ্হিসমূহে বিশেষ সমাদৰ লাভ কৰে। এই প্ৰদৰ্শনীত বুঢ়া আৰু বিষ্ণুপুৰ সমল কেন্দ্ৰৰ অন্তৰ্গত প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলেও শিক্ষকসকলৰ তত্বাৱধানত প্ৰস্তুত কৰা আৰ্হি আৰু শিক্ষণ সজুঁলি প্ৰদৰ্শন কৰে। আৰম্ভণিতে বুঢ়া-বিষ্ণুপুৰ সমল কেন্দ্ৰৰ সমন্বয়ক উপেন কলিতাই প্ৰদৰ্শনীখনৰ দ্বাৰ উন্মোচন কৰে। প্ৰদৰ্শনীত স্থানীয় বহুকেইখন প্ৰাথমিক বিদ্যালয়ে অংশগ্ৰহণ কৰে। আৰম্ভণিতে বিদ্যালয়ৰ প্ৰধান শিক্ষক পলাশ চমুৱাই এটি শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়। দিগন্ত চহৰীয়াই আঁতধৰা আৰম্ভণি অনুষ্ঠানত বিজ্ঞান শিক্ষক হিৰণ্য কুমাৰ নাথে দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে। আজিৰ এই অনুষ্ঠানত অসম বিজ্ঞান সমিতিৰ ছিপাঝাৰ শাখাৰ কৰ্মী দিলীপ কুমাৰ শইকীয়া অতিথি হিচাপে উপস্থিত আছিল।

# চেঙাৰ বাঘমাৰাত জলজলী আৰু ব্ৰহ্মপুত্ৰৰ ওপৰত দলং নিৰ্মাণৰ দাবী

**ই-সংবাদ, শিমলীতোলা, ২৮ ফেব্ৰুৱাৰীঃ** শেহতীয়াকৈ ৰাজ্যৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিধানসভাৰ মজিয়াত অসমৰ প্ৰতিখন জিলাতে উত্তৰ-দক্ষিণ পাৰ সংযোগ হোৱাকৈ ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত দলং নিৰ্মাণৰ বক্তব্য কাৰ্যকৰী কৰাৰ বাবে আহ্বান জনাইছে দক্ষিণ বৰপেটাৰ চৰাঞ্চলৰ ৰাইজে। জলজলী নদীৰ ওপৰত দলং নিৰ্মাণৰ দীৰ্ঘদিনীয়া দাবীৰ প্ৰতি সঁহাৰি জনাই ইতিমধ্যে বাঘমাৰা-শিমলীতোলা সংযোগী দলঙৰ কাম সম্প্ৰতি আগবঢ়াৰ বাবে অসম চৰকাৰক ধন্যবাদ জনোৱাৰ লগতে অতি সোনকালে দলংখনৰ আধাৰশিলা স্থাপনৰ দাবী কৰিছে। শিমলীতোলাৰ পৰা বৰপেটা জিলাৰ দক্ষিণপাৰৰ বাঘমাৰা চৰ সুখুৱাৰঝাৰ হৈ সত্ৰকনাৰা সংযোগ কৰি ব্ৰহ্মপুত্ৰৰ ওপৰত বিভিন্ন কাৰণত এখন বৃহৎ দলং নিৰ্মাণৰ দাবী উত্থাপন কৰিছে অঞ্চলটোৰ ৰাইজে। সাম্প্ৰতিক পৰিস্থিতিত চেঙা উন্নয়ন খণ্ডৰ কাৰ্য্যালয় বাঘমাৰা চৰত হোৱাৰ উপৰিও চৰাঞ্চলত কেইবাটাও প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, থানা, মহকুমা কৃষি বিষয়াৰ কাৰ্যালয়, বিভিন্ন স্কুল-কলেজ, বাঘমাৰা সমবায় সমিতিত প্ৰতিমাহে বৃহৎ পৰিমাণৰ চাউল নাৱেৰে নদী পাৰ কৰি আনোতে যথেষ্ট কষ্টৰ লগতে আৰ্থিক লোকচানৰ সন্মুখীন হ'বলগীয়া হয়। পূব গোৱালপাৰা আৰু দক্ষিণ বৰপেটাৰ চৰাঞ্চলৰ লাখ লাখ ৰাইজ দৈনন্দিন জীৱনত প্ৰয়োজনীয় কামৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানত কৰ্মৰত কৰ্মচাৰীৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ যথেষ্ট সময় অপচয় হোৱাৰ লগতে নিৰ্দিষ্ট সময়ত গন্তব্য স্থানত উপস্থিত হ'ব নোৱাৰে। ইয়াৰ ওপৰিও গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত ৰোগী সময়মতে চিকিৎসালয় পোৱাৰ আগতেই মৃত্যুক আকোঁৱালি লবলগা হয়। বাৰিষা কালত নৈৰ বাঢ়নী পানীয়ে কেতিয়াবা বিপদ সীমা অতিক্ৰম কৰাৰ সময়ত প্ৰায় ৫ কিলোমিটাৰৰ অধিক দৈৰ্ঘ্য তুলুঙা নাৱেৰে বিপদসংকুল যাত্ৰা কৰিবলীয়া হয়। দলংখন নিৰ্মাণ কৰিলে বৃহত্তৰ দক্ষিণ বৰপেটাৰ অৰ্থনৈতিক উন্নয়ন ক্ষিপ্ৰ হোৱাৰ লগতে সামাজিক আৰু ৰাজনৈতিক পৰিস্থিতিৰ আমূল পৰিৱৰ্তন ঘটিব বুলি মন্তব্য কৰে ৰাইজে। গোৱালপাৰাৰ শিমলীতোলা-বৰপেটাৰ সত্ৰকনাৰা সংযোগী দলং আৰু বাঘমাৰা-শিমলীতোলা সংযোগী দলং নিৰ্মাণৰ প্ৰাৰম্ভিক কাম বাৰিষাৰ আগতেই সম্পন্ন কৰিবলৈ দুয়োখন জিলাৰ ৰাইজে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক অনুৰোধ জনাইছে।



পেঙেৰীৰ খাটাংপানীত বন্যহস্তীয়ে ভাঙি লণ্ড ভণ্ড কৰিলে বাসগৃহ, ফটোঃ ই-সংবাদ, মাৰ্ঘেৰিটা

# ভূৰাগাঁৱত একেদিনাই ২১ আঁচনি উদ্বোধন বিধায়ক ৰমাকান্ত দেউৰীৰ

**ই-সংবাদ, লাহৰীঘাট ২৮ ফেব্ৰুৱাৰীঃ** মৰিগাঁও জিলাৰ ভূৰাগাঁৱত আজি একেদিনাই মৰিগাঁও সমষ্টিৰ বিধায়ক তথা ভৈয়াম জনজাতি উন্নয়ন নিগমৰ অধ্যক্ষ বিধায়ক ৰমাকান্ত দেউৰীয়ে এম জি এনৰেগাসহ ২১ খনকৈ আঁচনিৰ উদ্বোধন কৰে। ইয়াৰ মাজতে বিধায়কগৰাকীৰ উপস্থিতিত ভূৰাগাঁৱত ব্লক যুৱ কংগ্ৰেছ আৰু মণ্ডল কংগ্ৰেছৰ প্ৰাক্তন দুজন সম্পাদকে বিজেপি দলত যোগদান কৰে। উল্লেখ্য যে মৰিগাঁও সমষ্টিত নতুনকৈ সংযোজিত হোৱা কুশতলি-নিজ গেৰুৱা মণ্ডলৰ অন্তৰ্গত নিজগেৰুৱা, বৰডোবাটোপ আৰু নিজ চহৰীয়া গাঁও পঞ্চায়তত ৰূপায়ণ হ'বলগীয়া ২০২৪-২৫ বিত্তীয় বৰ্ষৰ এম জি এনৰেগাৰ ২০ খনকৈ আঁচনিৰ উদ্বোধন কৰে বিধায়ক ৰমাকান্ত দেউৰীয়ে। তদুপৰি বিধায়কগৰাকীয়ে অসম চৰকাৰৰ 'অসম দৰ্শন' আঁচনিৰ অধীনত ১৫ লাখ টকা ব্যয়ৰে নিৰ্মাণ হ'বলগীয়া গেৰুৱা অঞ্চলৰ ঐতিহাসিক কলীয়া গোসাঁই থানৰো উদ্বোধন কৰে। এনেদৰে আঁচনিসমূহ উদ্বোধনৰ উদ্দেশ্যে আজি বিধায়কগৰাকীয়ে ভূৰাগাঁৱত উপস্থিত হোৱা অৱস্থাত বৰডোবাটোপ মণ্ডল কংগ্ৰেছৰ প্ৰাক্তন সম্পাদক মনোজ শৰ্মা আৰু লাহৰীঘাট ব্লক যুৱ কংগ্ৰেছৰ প্ৰাক্তন সাধাৰণ সম্পাদক পুলিন নাথে বিজেপি দলৰ নীতি-আদৰ্শৰ প্ৰতি আকৃষ্ট হৈ আনুষ্ঠানিকভাৱে গেৰুৱা দলটোত যোগদান কৰে। উল্লেখ্য যে আজি এই সকলো কাৰ্যসূচীতে বিধায়কগৰাকীৰ সৈতে মৰিগাঁও জিলা বিজেপিৰ সাধাৰণ সম্পাদক নিৰ্মল কোঁৱৰ, কুশতলী-নিজ গেৰুৱা মণ্ডল বিজেপিৰ সভাপতি ৰাজেন সেনাপতিৰ লগতে জিলা আৰু মণ্ডলপৰ্যায়ৰ কেইবাগৰাকীও বিষয়ববীয়া আৰু দলীয় কৰ্মকৰ্তা উপস্থিত থাকে।

# বৃহৎ পৰিমাণৰ গাঞ্জাসহ এজনক আটক বৰপেটাৰোড আৰক্ষীৰ

**ই-সংবাদ, বৰপেটাৰোড, ২৮ ফেব্ৰুৱাৰীঃ** বৰপেটাৰোডত যোৱানিশা আৰক্ষীয়ে এক অভিযানত চলাই বৃহৎ পৰিমাণৰ গাঞ্জাসহ এজন সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হয়। ধৃত সৰবৰাহকাৰীজন গুৱাগাছা ফাংছু চ'কৰ সুনীল সৰকাৰৰ পুত্ৰ বিজয় সৰকাৰ (২৮) বুলি জানিব পৰা গৈছে। ধৃত ব্যক্তিজনৰ গৃহৰপৰা গাঞ্জাখিনিৰ জব্দ কৰিছে বৰপেটাৰোড আৰক্ষীয়ে। নিশা বৰপেটাৰোড আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া শ্যামলজ্যোতি শইকীয়াৰ নেতৃত্বত এটা আৰক্ষী দলে চলোৱা অভিযানত এই গাঞ্জাসহ সৰবৰাহকাৰীজনক আটক কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে গোপন সূত্ৰৰ ভিত্তিত অভিযান চলাই নিজ বাসগৃহত থকা গেলামালৰ দোকানৰপৰা উদ্ধাৰ কৰে গাঞ্জাখিনি। ধৃত সৰবৰাহকাৰীজনে ঘৰৰপৰাই দীৰ্ঘদিন ধৰি এই ব্যৱসায়ী চলাই আহিছিল। ইতিমধ্যে বৰপেটাৰোড আৰক্ষীয়ে ধৃত বিজয় সৰকাৰক গ্ৰেপ্তাৰ কৰি জে'ললৈ প্ৰেৰণ কৰে।

# পেঙেৰীত বন্যহস্তীৰ তাণ্ডৱ, লণ্ডভণ্ড কৰিলে বাসগৃহ

## তিনিজন লোক আহত

**ই-সংবাদ, মাৰ্ঘেৰিটা, ২৮ ফেব্ৰুৱাৰীঃ** আজি পুৱতি নিশা পেঙেৰীৰ খাটাংপানী গাঁৱত বনৰীয়া হাতীৰ তিনিজনীয়া জাক এটাই তাণ্ডৱ চলাই। বন্যহস্তী জাকে অঞ্চলটোৰ মাজনি তাচা নামৰ মহিলাগৰাকীৰ বাসগৃহটো ভাঙি চুৰমাৰ কৰে। সেই সময়ত বাসগৃহতে থকা মাজনি তাচাসহ পৰিয়ালটো মৃত্যু পৰা হাত সাৰিবলৈ সক্ষম হয় যদিও বন্যহস্তীৰ সাম্ভাব্য আক্ৰমণৰ ভয়ত পলাবলৈ চেষ্টা কৰা সময়তে পৰিয়ালটো তিনিজন লোক আঘাতপ্ৰাপ্ত হয়। ইয়াৰে এজনৰ অৱস্থা গুৰুতৰ হোৱাত নিশাই ডিগবৈ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। ইয়াৰে মণ্টু তাচা নামৰ লোকজন গুৰুতৰভাৱে আহত হয়। বন্যহস্তীয়ে অঞ্চলটোত প্ৰায়ে উপদ্ৰৱ চলাই আহিছে যদিও বন বিভাগে কোনো গুৰুতৰ নিদিয়া অভিযোগ ভোক্তভোগী পৰিয়ালৰ লগতে স্থানীয় ৰাইজৰ। দুৰ্ভগীয়া পৰীয়ালটোক শীঘ্ৰে উচিত ক্ষতিপূৰণ প্ৰদানৰ দাবী জনাইছে স্থানীয় দল-সংগঠন তথা ৰাইজে।

# হামৰেণত ছেমছন ছিং ইংতিৰ ৭৭ সংখ্যক মৃত্যুবাৰ্ষিকী পালন

**ই-সংবাদ, বৈঠালাংছ', ২৮ ফেব্ৰুৱাৰীঃ** আধুনিক কাৰ্বি আংলঙৰ স্বপ্নদ্ৰষ্টা ছেমছন ছিং ইংতিৰ ৭৭ সংখ্যক মৃত্যুবাৰ্ষিকী দিনজোৰা কাৰ্যসূচীৰে আজি হামৰেণ শাখা সচিবালত অনুষ্ঠিত কৰা হয়। পুৰা ভাগত ছেমছন ছিং ইংতিৰ প্ৰতিমূৰ্ত্তিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰে বৈঠালাংছ' বিধানসভা সমষ্টিৰ বিধায়ক ৰূপছিং টেৰণে। ইয়াৰ পাছতে অনুষ্ঠিত হোৱা সভাত অংশগ্ৰহণ কৰি বিধায়ক ৰূপছিং টেৰণে কয় যে অতি কম বয়সতে সমাজলৈ বিশাল অৱদান আগবঢ়োৱা এগৰাকী স্বনামধন্য ব্যক্তি আছিল ছেমছেনছিং ইংতিদেৱ। সমাজক প্ৰগতি আৰু চিন্তাৰ নতুন পৰিভাষা দিয়া ছেমছনছিং ইংতিদেৱৰ দূৰদৰ্শিতা আৰু চিন্তাৰ গভীৰতাই জনজাতীয় সম্প্ৰদায়ৰ কাৰ্বি সমাজক একতাৰ জৰীৰে বান্ধখুৱাই অৰ্থনৈতিক উন্নয়নৰ দিশকো গুৰুত্ব দি আগুৱাই লৈ গৈছিল। সামাজিক তথা অৰ্থনৈতিক সংস্কাৰক ইংতিদেৱে আমাৰ কাৰ্বি জনজাতীয় লোকসকলক ঐক্যবদ্ধ কৰিবলৈ আৰু তেওঁলোকৰ উন্নতি সাধন কৰিবলৈ কৰা প্ৰচেষ্টাৰ বাবে তেখেতক কাৰ্বি জনজাতিৰ জনক বা আধুনিক কাৰ্বি আংলঙৰ স্বপ্নদ্ৰষ্টা হিচাপে যুগে যুগে স্মৰণ কৰা যাব বুলি উপস্থিত ৰাইজক সদৰী কৰে। চিৰনমস্য ব্যক্তিগৰাকীক আজিৰ পুণ্য তিথিত শত-সহস্ৰ প্ৰণিপাত জনাই আজন্ম শ্ৰদ্ধা কৰি যোৱাৰ কথা তেওঁ অৱগত কৰে। অনুষ্ঠানত পৰিষদীয় সদস্য হেডছিং ৰংফাৰ প্ৰমুখ্যে কেইবাজনো বিষয়া-কৰ্মচাৰীৰ লগতে স্থানীয় ৰাইজে অংশগ্ৰহণ কৰে।

# চৰাইদেউত বিশেষভাৱে সক্ষম শিশুক সাহায্য সঁজুলি প্ৰদান

**ই-সংবাদ, সোণাৰি, ২৮ ফেব্ৰুৱাৰীঃ** সমগ্ৰ শিক্ষা অভিযান, চৰাইদেউৰ অধীনত সাপেখাতি আৰু সোণাৰি শিক্ষাখণ্ডৰ অন্তৰ্গত জিলাখনত বিশেষভাৱে সক্ষম শিশুসকলৰ মাজত আজি বিভিন্নধৰণৰ সাহায্য সঁজুলি বিতৰণ কৰা হয়। এই সাহায্য সঁজুলি বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী যোগেন মহনে। অনুষ্ঠানত সোণাৰি সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ, চৰাইদেউ জিলাৰ জিলা আয়ুক্ত ডাঃ নেহা যাদৱ, মাহমৰাৰ সম-জিলা আয়ুক্ত পলাশ ৰাজকুমাৰ আহোম, সহকাৰী আয়ুক্ত তথা ভাৰপ্ৰাপ্ত জিলা সমাজ কল্যাণ বিষয়া ৰিণী হাজৰিকা, সোণাৰি আৰু মৰাণ পৌৰসভাৰ পৌৰপতিদ্বয় তিলক চন্দ্ৰ নেওগ আৰু অৰূপ দত্ত, সমগ্ৰ শিক্ষা অভিযান, চৰাইদেউৰ জিলা প্ৰকল্প বিষয়া ডঃ বিদ্যুৎ দিহিঙীয়া প্ৰমুখ্যে সমগ্ৰ শিক্ষা অভিযান, চৰাইদেউৰ কৰ্মচাৰীসকল উপস্থিত থাকে। এলিমকো (ALIMCO)ৰ পৰা আহৰণ কৰা এই সাহায্য সঁজুলিসমূহ জিলাখনৰ মুঠ ১০৫ গৰাকী হিতাধিকাৰীৰ মাজত বিতৰণ কৰা হ'ব। আজিৰ কাৰ্যসূচীত আনুষ্ঠানিকভাৱে ৯ গৰাকী শিশুৰ মাজত এই সঁজুলিসমূহ বিতৰণ কৰা হয় আৰু বাকীসকলক শিক্ষাখণ্ড পৰ্যায়ত এই সঁজুলিসমূহ প্ৰদান কৰা হ'ব। এই সাহায্য সঁজুলিসমূহৰ মাজত আছে মূলতঃ হুইল চেয়াৰ, ৰলেটৰ, অক্‌জিলিয়াৰি ক্ৰাচ ব্ৰেইলী কিট, এ ডি এল কিট, স্মাৰ্ট কেইন ইত্যাদি।

# মাহমৰা বৰচহকী পথাৰত গভীৰ নলীনাদ আঁচনি উদ্বোধন

**ই-সংবাদ, সোণাৰি, ২৮ ফেব্ৰুৱাৰীঃ** মাহমৰা সমষ্টিৰ ডবা পঞ্চায়তত নাবাৰ্ডৰ অৰ্থসাহায্যৰে স্থাপন কৰা সৌৰশক্তিচালিত মধ্য গভীৰ নলীনাদ আঁচনি এখন আজি উদ্বোধন কৰা হয়। কৃষকসকলে বছৰটোত তিনিটা খেতি কৰাত সহায়ক হোৱাকৈ স্থাপন কৰা আঁচনিখন উদ্বোধন কৰে মাহমৰা সমজিলাৰ আয়ুক্ত পলাশ ৰাজকুমাৰ আহোমে। প্ৰায় পয়ত্ৰিছ লাখ টকা ব্যয় সাপেক্ষে নিৰ্ধাৰিত পঞ্চলিশ দিনৰ ভিতৰত সম্পূৰ্ণ হ'বলগীয়া আঁচনিখনে আগন্তুক দিনত ৰাইজক যথেষ্ট পৰিমাণে উপকৃত কৰিব বুলি আঁচনিখন উদ্বোধন কৰাৰ পাছত মন্তব্য আগবঢ়ায় মাহমৰা সমজিলা আয়ুক্তগৰাকীয়ে। প্ৰায় সত্তৰ বিঘা মাটিকালি সামৰি ল'ব পৰাকৈ স্থাপন কৰা এই আঁচনিৰ জৰিয়তে কৃষকসকলে খৰালি কালত খেতি কৰিবলৈ পথাৰত পানীৰ সমস্যা সন্মুখীন নহ'ব বুলি মন্তব্য কৰিছে জলসিঞ্চন বিভাগৰ চৰাইদেউ মহকুমা বিষয়ে ৰমেন চেতিয়াই। উল্লেখ্য যে কেবিনেট মন্ত্ৰী যোগেন মহনে আজি এই আঁচনিখন উদ্বোধন কৰাৰ কথা আছিল যদিও শেষ মুহূৰ্তত উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকিব নোৱাৰাত মাহমৰা সমজিলাৰ আয়ুক্ত পলাশ ৰাজকুমাৰ আহোমে আনুষ্ঠানিকভাৱে উদ্বোধন কৰে আঁচনিখন। উদ্বোধনী অনুষ্ঠানত জলসিঞ্চন বিভাগৰ বিষয়া ৰমেন চেতিয়া, সমাজকৰ্মী ৰ'জ কমল মহন, দিলীপ কোঁৱৰৰ লগতে স্থানীয় গাওঁবুঢ়া তথা কৃষকসকল উপস্থিত থাকে।

# লক্ষ্য প্ৰতিযোগিতামূলক পৰীক্ষা, মাজুলীৰ গড়মূৰত 'অন্বেষণ' অধ্যয়ন কেন্দ্ৰ মুকলি

**ই-সংবাদ, মাজুলী, ২৮ ফেব্ৰুৱাৰীঃ** প্ৰশাসনিক ক্ষেত্ৰত মাজুলীৰ যুৱপ্ৰজন্মক সঠিক পথ প্ৰদৰ্শনৰ বাবে মাজুলী জিলা প্ৰশাসনৰ উদ্যোগত আৰম্ভ কৰা 'অন্বেষণ' অধ্যয়ন কেন্দ্ৰ এটা আজি গড়মূৰত আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। এই উপলক্ষে গড়মূৰস্থিত মহকুমা গ্ৰন্থাগাৰত আৰম্ভ কৰিবলৈ লোৱা অধ্যয়ন কেন্দ্ৰটোৰ ফিটা কাটি উদ্বোধন কৰে বিধায়ক ভুবন গামে। জিলাখনৰ মেধাৱী যুৱক-যুৱতীক বিনামূলীয়াকৈ প্ৰশাসনিক সেৱাৰ প্ৰতিযোগিতামূলক পৰীক্ষাসমূহৰ বাবে সাজু কৰি তুলিবলৈ জিলা প্ৰশাসনে এই অধ্যয়ন কেন্দ্ৰৰ ব্যৱস্থা কৰিছে। সমাজকৰ্মী প্ৰতাপ বৰুৱাই আঁতধৰা অনুষ্ঠানটোত বিধায়ক গামৰ লগতে জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক, জিলা আৰক্ষী অধীক্ষক বিবেকানন্দ দাস, অতিৰিক্ত আৰক্ষী অধীক্ষক (মুখ্য কাৰ্যালয়) বিতুল চেতিয়া, অতিৰিক্ত আয়ুক্তদ্বয় ভৰত কোঁৱৰ, সৰোজ সোণোৱাল, সমাজকৰ্মী ৰঞ্জিত দলে, সমাজকৰ্মী দীপক গোস্বামী, মাজুলী জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া দিতিমণি পেগু, সহকাৰী আয়ুক্ত দ্বয় সংগীতা বৰুৱা আৰু সীমান্ত বুঢ়াগোহাঁই, নিৰ্বাচনী বিষয়া ৰিমঝিম কোঁৱৰ প্ৰমুখ্যে ৩৫ গৰাকী ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। অতিৰিক্ত আয়ুক্ত ভৰত কোঁৱৰে আদৰণি ভাষণ আগবঢ়োৱা উদ্বোধনী অনুষ্ঠানত বিধায়ক গামে মাজুলীৰ ছাত্ৰ-ছাত্ৰীয়ে উচ্চ শিক্ষাগ্ৰহণৰ পিছত প্ৰতিযোগিতামূলক পৰীক্ষাত নিজকে যাতে উপযুক্ত কৰি তুলিব পাৰে, তাৰবাবেই এই অধ্যয়ন কেন্দ্ৰৰ পৰিকল্পনা কৰা বুলি উল্লেখ কৰি জিলাখনৰ চাৰিটা অধ্যয়ন কেন্দ্ৰৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকল উপকৃত হ'ব বুলি আশা প্ৰকাশ কৰে। জিলা আয়ুক্তই বিধায়কগৰাকীৰ ভূমিকাৰ শলাগ লোৱাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক নিয়মীয়াকৈ আহি পাঠদানত ভাগ ল'বলৈ আহ্বান জনায়। মাজুলী জিলা প্ৰশাসন, বিধায়কৰ তৎপৰতাত জিলা গ্ৰন্থাগাৰত আৰম্ভ কৰা এই অধ্যয়ন কেন্দ্ৰৰ প্ৰতি লক্ষ্য ৰাখি অসমৰ গ্ৰন্থাগাৰসমূহত প্ৰশাসনিক সেৱাৰ পৰীক্ষাৰ বাবে প্ৰস্তুতি গ্ৰন্থ উপলব্ধ কৰাৰ কথা জিলা আয়ুক্তই ঘোষণা কৰে। জিলা আৰক্ষী অধীক্ষকে প্ৰতিযোগিতাৰ দিনত বৰ্তমান সময়ত প্ৰতিযোগিতামূলক পৰীক্ষাসমূহত নতুনকৈ উত্তীৰ্ণ হৈ চাকৰিত যোগদান কৰি মাজুলীত কৰ্মৰতসকলে পাঠদান কৰিলে ছাত্ৰ-ছাত্ৰী উপকৃত হ'ব বুলি কয়। উল্লেখ্য যে মাজুলীৰ গড়মূৰৰ কেন্দ্ৰৰ লগতে কমদিনতে গুৱালগাওঁ, জেংৰাইমুখ আৰু বনগাঁওত একোটাকৈ চেণ্টাৰ আৰম্ভ কৰিব। কাইলৈ জিলা আয়ুক্তই বিয়লি চাৰি বজাত জিলা গ্ৰন্থাগাৰত ছাত্ৰ-ছাত্ৰীসকলক পাঠদান কৰিব। জিলাখনৰ ৩৫ গৰাকী কৰ্মৰত বিষয়াই দৈনিক ছাত্ৰ-ছাত্ৰীক পাঠদান কৰিব।

# হোজাইত বিজেপি নেতাৰ সংঘাতে পোহৰলৈ আনিছে দুৰ্নীতিৰ ক'লা অধ্যায়

**ই-সংবাদ, ডবকা-মোৰাঝাৰ, ২৮ ফেব্ৰুৱাৰীঃ** হোজাই সমষ্টিৰ যোগিজানৰ এগৰাকী বিজেপি নেতাৰ টকাৰ বাণ্ডলৰ সৈতে উঠা এখন ফটোক লৈ জিলা বিজেপিত তীব্ৰ জোকাৰণিৰ সৃষ্টি হৈছে। হোজাইৰ বিধায়ক ৰামকৃষ্ণ ঘোষৰ অতি ঘনিষ্ঠ এইজন বিজেপি নেতা তথা হোজাই জিলা অনুসূচীত জাতি উন্নয়ন ব'ৰ্ডৰ উপাধ্যক্ষ পিন্টু দাসৰ লুণ্ঠনৰ ছবি পোহৰলৈ অহাত এতিয়া একপ্ৰকাৰ দুভাগত বিভক্ত হোজাই বিজেপি। যোগিজান উন্নয়ন খণ্ডৰ ভিজিলেন্স কমিটিৰো সদস্য পিন্টু দাসৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগ উত্থাপন কৰিছে বিজেপিৰ খোদ যোগিজান মণ্ডলৰ প্ৰাক্তন সাধাৰণ সম্পাদক প্ৰসেনজিত দাসে। দাসৰ অভিযোগ-- যোগিজান উন্নয়ন খণ্ডত উঠিৰজা-বহিৰজা এইগৰাকী পিন্টু। পিন্টু দাসৰ বিৰুদ্ধে দুৰ্নীতিৰ গুৰুতৰ অভিযোগ উত্থাপিত কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক তদন্তৰ আহ্বান জনাইছে নিজ দলৰেই নেতা-কৰ্মীয়ে। অভিযোগ মতে পিন্টু দাস অনুসূচীত জাতি ব'ৰ্ডৰ উপাধ্যক্ষ হোৱাৰ লগতে বিধায়ক ৰামকৃষ্ণ ঘোষৰ আশীৰ্বাদপুষ্ট হোৱাৰ সুবাদতে ভিজিলেন্স কমিটিৰ এগৰাকী সদস্য। অনুসুচীত জাতি ব'ৰ্ডৰ উপাধ্যক্ষ পদটো যিহেতু এক সাংবিধানিক পদ আৰু তেওঁ যিহেতু ভিজিলেন্স কমিটিৰো সদস্য, গতিকে কোনো কাৰণতে এনৰেগাৰ ভেণ্ডৰ বা ঠিকাদাৰ হ'ব নোৱাৰে। কিন্তু পিন্টু দাস নিজে এগৰাকী ভেণ্ডৰ। যোগিজান উন্নয়ন খণ্ডৰপৰা নিজৰ ভেণ্ডৰযোগে যোৱা এবছৰৰ ভিতৰতে প্ৰায় ২৫ লাখ টকা মোকলাই নিছে ভিজিলেন্স কমিটিৰ সদস্যজনে। ইয়াৰ ওপৰিও মুখ্যমন্ত্ৰীৰ অসম দৰ্শন আঁচনিৰো ২৫ লাখৰো অধিক টকা মোকলাই নিয়াৰ অভিযোগ বিধায়কৰ ঘনিষ্ঠগৰাকীৰ বিৰুদ্ধে। কেনেকৈ সেয়া সম্ভৱ হ'ল তাৰ তদন্ত বিচাৰি আনকি সংবাদমেলৰো আয়োজন কৰিছে বিজেপিৰ আন এগৰাকী নেতা প্ৰসেনজিত দাসে। পিন্টু দাসৰ হোজাইৰ অট্টালিকা নিৰ্মাণৰ ধনৰ উৎসৰ তদন্তৰো দাবী বিজেপিৰ যোগিজান মণ্ডলৰ প্ৰাক্তন সাধাৰণ সম্পাদক প্ৰসেনজিত দাসৰ। সংবাদ মেলযোগে ইয়াৰ মুখ্যমন্ত্ৰী ভিজিলেন্সৰ তদন্তৰ আহ্বান জনায় তেওঁ। উল্লেখযোগ্য যে বৰ্তমান হোজাই জিলা অনুসুচিত জাতি ব'ৰ্ডৰ উপাধ্যক্ষ পিন্টু দাসৰ হাতত বাণ্ডলে বাণ্ডলে টকাৰ এখন আলোকচিত্ৰ ৰাজহুৱা হোৱাৰ পিছৰেপৰা হোজাই জিলা বিজেপিত তোলপাৰ লাগিছে। হোজাইৰ বিধায়কৰ সোঁ-হাতস্বৰূপ পিন্টু দাসে যোৱা চাৰিটা বছৰত ইমান টকা ক'ৰপৰা উপাৰ্জন কৰিলে সেয়া হোজাইবাসীৰ মাজত প্ৰশ্ন উত্থাপন হৈছে। অভিযোগ মতে যোগিজান সংহত শিশু উন্নয়ন প্ৰকল্পৰ অধিনত মডেল অংগনৱাড়ী কেন্দ্ৰ নিৰ্মাণৰ সকলো ঠিকা এইগৰাকী পিণ্টুৰ হাতৰ মুঠিত। চতুৰ্দশ আৰু পঞ্চদশ বিত্তীয় আয়োগৰ উন্নয়নৰ সকলো কামৰ অঘোষিত ঠিকাদাৰ এইগৰাকী পিণ্টু দাস। ইপিনে পিন্টু দাসেও এখন সংবাদমেল আয়োজন কৰি তেওঁৰ বিৰুদ্ধে উত্থাপন হোৱা সকলো অভিযোগ সম্পূৰ্ণ মিছা আৰু ভিত্তিহীন বুলি প্ৰকাশ কৰিছে। পিণ্টুৰ মতে, বিশ্বজিত স্বৰোজ, প্ৰবিৰ সৰকাৰ, ধীৰাজ নাথ, জিতু তিৱাৰী নামৰ যুৱককেইজনেহে এক ষড়যন্ত্ৰ ৰচনা কৰিছে। সমগ্ৰ ঘটনাৰ মুখ্যমন্ত্ৰীৰ তদাৰকী কোষৰ জৰিয়তে এক উচ্চপৰ্যায়ৰ তদন্ত দাবী কৰিছে হোজাইৰ সচেতন মহলে। কেনেকৈ এগৰাকী সাধাৰণ বিজেপি কৰ্মী এতিয়া বাণ্ডলে বাণ্ডলে টকা লৈ ফটো উঠিব পৰা হ'ল বা তেওঁৰ আয়ৰ উৎস কি তাকে লৈ এতিয়া সৰ্বত্ৰে চৰ্চা চলিছে।

## জগদুৱাৰ প্ৰাথমিক বিদ্যালয়লৈ বিদ্যাঞ্জলিৰ শ্ৰেষ্ঠ স্বেচ্ছাসেৱক সন্মান

# টীয়কত পাঁচ লক্ষাধিক ব্যয় সাপেক্ষে প্ৰাক্তন ছাত্ৰ-ছাত্ৰী মঞ্চই সাজিলে বিদ্যালয় গৃহ

**ই-সংবাদ, টীয়ক, ২৮ ফেব্ৰুৱাৰীঃ** নিজৰ শৈশৱ, কৈশোৰ তথা জীৱনৰ আদিপাঠ আৰম্ভ কৰা প্ৰাথমিক বিদ্যালয়খনৰ প্ৰতি নিজৰ দায়িত্ব পালন কৰি টীয়কৰ জগদুৱাৰ ২৩২ নং প্ৰাথমিক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী মঞ্চই প্ৰায় পাঁচ লক্ষাধিক টকা ব্যয় কৰি বিদ্যালয়ৰ গৃহ পুনৰ নিৰ্মাণ কৰি এক আদৰ্শ প্ৰদৰ্শন কৰিছে। আন্ত:গাথনি মেৰামতিৰ অভাৱত উক্ত বিদ্যালয়খনৰ অৱস্থা শোচনীয় হৈ পৰাত বিদ্যালয়ৰ একাংশ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী একগোট হৈ বিদ্যালয়খনত বৰ্তমান অধ্যয়নত ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে এক পদক্ষেপ গ্ৰহণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰি যোৱা ২০২২ বৰ্ষৰ ১৮ ডিচেম্বৰত প্ৰাক্তন ছাত্ৰ-ছাত্ৰী মঞ্চ গঠন কৰি প্ৰথমে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰপৰাই আৰ্থিক বৰঙণি সংগ্ৰহ কৰে আৰু পৰৱৰ্তী সময়ত বৃহত্তৰ টীয়কৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তিৰ সহযোগত উক্ত বিদ্যালয় গৃহটি আটকধুনীয়াকৈ সাজি ছাত্ৰ-ছাত্ৰীৰ বাবে মুকলি কৰি দিয়ে। লগতে বিদ্যালয়ৰ চৌহদৰ পকী বেৰা, বিদ্যালয়ৰ প্ৰৱেশ দ্বাৰৰ তোৰণ আদি নিৰ্মাণ কৰি সুন্দৰকৈ ৰং-তেল সানি বিদ্যালয়খনত এক সুন্দৰ শৈক্ষিক পৰিৱেশ সজাই তুলিবলৈ সক্ষম




হয়। যাৰ ফলশ্ৰুতিত সমগ্ৰ শিক্ষা যোৰহাট জিলাৰ অধীনত বিদ্যাঞ্জলি কাৰ্যসূচীৰ জৰিয়তে মধ্য যোৰহাট শিক্ষাখণ্ডৰ অন্তৰ্গত উক্ত বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী মঞ্চক এই নিঃস্বাৰ্থ সেৱাৰ বাবে এইবৰ্ষৰ শ্ৰেষ্ঠ স্বেচ্ছাসেৱক সন্মাননেৰে সন্মানিত কৰা হৈছে। সেয়ে এতিয়া উৎফুল্লিত হৈ পৰিছে প্ৰাক্তন ছাত্ৰ-ছাত্ৰী মঞ্চৰ লগতে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰী, পৰিচালনা সমিতি তথা স্থানীয় ৰাইজ। সেই লৈ আজি পুৱা প্ৰাৰ্থনা সভাৰ পিছতে সকলো শুভাকাংক্ষী বিদ্যালয়ৰ প্ৰাংগণত উপস্থিত হৈ এই শুভ দিনটো উদযাপন কৰে আৰু আগলৈও এইদৰে বিদ্যালয়খনৰ উন্নয়নৰ হকে আগবাঢ়ি যোৱাৰ সংকল্প গ্ৰহণ কৰাৰ লগতে আধৰুৱা কামকাজ সম্পূৰ্ণ কৰিবলৈ চৰকাৰৰপৰা সহযোগিতা আশা কৰিছে।

# সাংবাদিকক প্ৰাণে মৰাৰ ভাবুকি প্ৰদান, ডিগবৈত চাঞ্চল্য



**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ২৮ ফেব্ৰুৱাৰীঃ** এখন দৈনিক বাতৰি কাকতৰ লগতে এটা পৰ্টেলৰ ডিগবৈৰ সাংবাদিক নিতুমনি শইকীয়াক অলপতে ডিগবৈ অঞ্চলৰ এদল যুৱকে চক্ৰান্তৰে ৰাজহুৱা স্থানলৈ মাতি নি বেয়াকৈ অপদস্থ কৰাৰ লগতে মুকলিকৈ প্ৰাণে মৰাৰ ভাবুকি প্ৰদান কৰাক লৈ তৈল নগৰী ডিগবৈত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ঘটনাৰ সন্দৰ্ভত সাংবাদিক নিতুমনি শইকীয়াই জানিবলৈ দিয়া মতে, যোৱা ২৬ ফেব্ৰুৱাৰীত এখন দৈনিক বাতৰি কাকতত তৈল নগৰী ডিগবৈৰ লগতে ডিগবৈৰ দাঁতিকাষৰীয়া অঞ্চলত অবৈধভাৱে মাটি খনন কাৰ্য চলি থকাক লৈ সাংবাদিক নিতুমনি শইকীয়াই এটা বাতৰি প্ৰকাশ কৰিছিল। বাতৰিটো প্ৰকাশৰ পিছদিনাৰে পৰাই ডিগবৈ বন বিভাগে তাৎক্ষণিকভাৱে উক্ত মাটি খনন কাৰ্য্য সম্পূৰ্ণৰূপে বন্ধ কৰি দিয়াত একাংশ লোকৰ সান্দহ খোৱা বালি তল যোৱাৰ দৰে পৰিস্থিতিৰ সৃষ্টি হয়। ইয়াতে ক্ষুণ্ণ হৈ ডিগবৈ অঞ্চলৰ দুজন ব্যক্তিয়ে চক্ৰান্তৰে সাংবাদিক শইকীয়াক ফোনযোগে বাতৰিৰ সংক্ৰান্তত ডিগবৈ চাৰিআলিস্থিত এটা পেট্ৰ'ল পাম্পলৈ মতাত শইকীয়াই উক্ত স্থানত উপস্থিত হোৱা মাত্ৰকে পূৰ্বৰে খাপ পিটি থকা প্ৰায় ১৫ জনীয়া এটি দলে সাংবাদিক নিতুমনি শইকীয়াক বেয়াকৈ অপদস্থ কৰাৰ লগতে প্ৰাণে মৰাৰ ভাবুকি দিয়াৰ লগতে মাৰিবলৈও উদ্যত হয়। এই সন্দৰ্ভত সাংবাদিক শইকীয়াই আজি এক সংবাদমেলৰ আয়োজন কৰি যুৱকৰ দলটোৱে তেওঁৰ সৈতে সংঘটিত কৰা ঘটনাৰ সম্পৰ্কে বিৱৰি কোৱাৰ লগতে সাংবাদিক শইকীয়াই দলটিক ধন দাবীৰ কৰাৰ অভিযোগৰ সন্দৰ্ভতো স্পষ্টীকৰণ দিয়ে। দলটিয়ে ভিডিঅ' প্ৰস্তুত কৰি ডিগবৈৰ এগৰাকী তথাকথিত তথা জেল ফেৰৎ সাংবাদিকৰ হতুৱাই এটা পৰ্টেলত সাংবাদিক শইকীয়াই যুৱক কেইজনক ধন দাবী কৰা বুলি বাতৰি সম্প্ৰচাৰ কৰাৰ সন্দৰ্ভতো সংবাদ মেলত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে শইকীয়াই। ঘটনাৰ সন্দৰ্ভত শইকীয়াই স্থানীয় ডিগবৈ আৰক্ষী থানাত এখন এজাহাৰো দাখিল কৰিছে বুলি জানিবলৈ দিয়ে। দিন-দুপৰতে এগৰাকী সাংবাদিকক ৰাজহুৱা স্থানত অপদস্থ কৰাৰ লগতে মুকলিকৈ প্ৰাণে মৰাৰ ভাবুকি প্ৰদান কৰাক লৈ জিলাখনৰ সাংবাদিক মহলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ঘটনাটোৱে ডিগবৈত চাঞ্চল্যৰ সৃষ্টি কৰিছে।




আইচিচিৰ অধ্যক্ষ জয় শ্বাহক ফৰ্বছ ইণ্ডিয়া আইকন অফ এক্সেলেন্স এৱাৰ্ড-২০২৫ প্ৰদান, শুকুৰবাৰে

## আকৰ্ষণীয় পৰ্যায়ত সহজানন্দ ওজা সোঁৱৰণী আন্তঃক্লাব ক্ৰিকেট লীগ

# বগৰিগুৰি এডভাঞ্চ একাডেমী, ৰাজস্থানী যুৱক সংঘৰ সম্পূৰ্ণ পইণ্ট

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ২৮ ফেব্ৰুৱাৰীঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত চলি থকা সহজানন্দ ওজা সোঁৱৰণী আন্তঃক্লাব ক্ৰিকেট লীগ (ক্লাষ্টাৰ-২) ৰ গ্ৰুপ "বি"ৰ আজিৰ খেলত বগৰিগুৰি এডভাঞ্চ একাডেমীয়ে লাইফলাইন ক্লাবক ১৭ ৰাণত আৰু নগাঁও ৰাজস্থানী যুৱক সংঘই নগাঁও টাউন ক্লাবক চাৰি উইকেটত হৰুৱাই সম্পূৰ্ণ পইণ্ট অৰ্জন কৰিছে। মুঠ-৮ টা ক্লাবৰ যোগদানৰে আয়োজিত আকৰ্ষণীয় পৰ্যায়ত উপনীত হোৱা এই লীগৰ গ্ৰুপ "এ"ত থকা ভাইকিংছ ক্লাব, সান্নিধ্য, সূৰ্য্যোদয় আৰু নগাঁও ইলাইট ক্লাবে এই পৰ্যন্ত দুখনকৈ খেলৰ পৰা এখনত জয়ী হৈ প্ৰত্যেকে দুই পইণ্টকৈ সংগ্ৰহ কৰিছে। চাৰিওটা ক্লাবৰে এখনকৈ খেল খেলিবলৈ এতিয়াও বাকী আছে আৰু সেই খেলৰ পৰাই গ্ৰুপ "এ"ৰ পৰা ছেমিফাইনেল খেলিবলগীয়া দল দুটা নিৰ্ণীত হ'ব। আনহাতে, গ্ৰুপ "বি"ত এই পৰ্যন্ত বগৰিগুৰি এডভাঞ্চ একাডেমীয়ে চাৰি পইণ্ট আৰু নগাঁও ৰাজস্থানী যুৱক সংঘ তথা লাইফলাইন ক্লাব দল দুটাই দুই পইণ্টকৈ সংগ্ৰহ কৰাৰ বিপৰীতে নগাঁও টাউন ক্লাবে কোনো পইণ্ট লাভ কৰিব পৰা নাই। গ্ৰুপ "এ" ৰ কাইলৈ (শনিবাৰ) গুৰুত্বপূৰ্ণ খেলত ভাইকিংছ ক্লাবে সান্নিধ্যৰ বিৰুদ্ধে আৰু সূৰ্য্যোদয়ে নগাঁও ইলাইট ক্লাবৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। ইপিনে, আজি গ্ৰুপ "বি"ৰ পুৱাবেলাৰ খেলত বগৰিগুৰি এডভাঞ্চ একাডেমীয়ে পোনতে বেট ধৰি ২০ অভাৰত আঠটা উইকেটৰ বিনিময়ত ১৪৫ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত লাইফলাইন ক্লাবে ২০ অভাৰত আঠটা উইকেট হেৰুৱাই ১২৮ ৰাণহে কৰিবলৈ সক্ষম হয়। আজি বিয়লিৰ খেলখনত নগাঁও টাউন ক্লাবে ১৭ অভাৰত সকলোকেইটা উইকেট হেৰুৱাই ৯৯ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত নগাঁও ৰাজস্থানী যুৱক সংঘই ১৩.৫ অভাৰতে ছটা উইকেটৰ বিনিময়ত ১০০ ৰাণ সংগ্ৰহৰে জয়ী হয়।




newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি